শিশু দিৱস আদি পালনতো ৰাইজৰ লগত সহযোগিতা আগবঢ়োৱা হয়।

'গীতা' মিছনৰ দ্বাৰা গীতা চেতনা যাত্ৰাৰ সময়তো কেবাখনো বিদ্যালয়, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, নামঘৰ, ৰেচন বিভাগৰ কাৰ্যালয় সমূহত গৈ গীতাৰ প্ৰচাৰত অংশগ্ৰহণ কৰা হয়। শ্ৰদ্ধেয় অমলপ্ৰভা দাসবাইদেউৰ জন্ম শতবাৰ্ষিকীত (২০১১) বকো অঞ্চলত দুখনকৈ ৰাজহুৱা সভা পতা হয়। বিশিষ্ট ব্যক্তিৰ লিখনিৰে আৰু ড° গণেশ্বৰ চহৰীয়া আৰু বিজয়া ডেকা বাইদেউৰ ব্যক্তিগত অৰ্থৰে 'প্ৰেৰণাৰ অন্য নাম : অমলপ্ৰভা' নামৰ গ্ৰন্থ এখনো প্ৰকাশ কৰা হয়।

মহান ব্যক্তিৰ পদাৰ্পণ : ইংৰাজী ১৯৪৯চনৰ ২২ আগষ্টত প্ৰতিষ্ঠা হোৱা বাটাকুছি কস্তুৰবা কেন্দ্ৰটিৰ জন্মদাত্ৰী মাতৃস্বৰূপা অমলপ্ৰভা বাইদেউৰ ত্যাগৰ প্ৰচেষ্টা আৰু আঞ্চলিক ৰাইজৰ সহায়-সহযোগত এই কেন্দ্ৰত ভালেমান ব্যক্তিৰ পদাৰ্পণ হয়। সেইসকলৰ ভিতৰত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী ভাৰতৰত্ন গোপীনাথ বৰদলৈ, জয়প্ৰকাশ নাৰায়ণ, আচাৰ্য্য বিনোৱা ভাবে, পুষ্পলতা দাস, অমিয় কুমাৰ দাস, ডাঃ ভুৱনেশ্বৰ বৰুৱা, ডাঃ হৰেকৃষ্ণ দাস, প্ৰাক্তন গড়কাপ্তানি মন্ত্ৰী সিদ্ধিনাথ শৰ্মা, ডাঃ পোৱাল দুৱৰা আদিৰ দৰে সৰ্বভাৰতীয় সৰ্বোদয় ব্যক্তিসকলে এই আশ্ৰমত পদাৰ্পণ কৰি অঞ্চলবাসীক ধন্য কৰে। সেইদৰে পদ্মশ্ৰী হেম ভঁৰালী, চন্দ্ৰপ্ৰভা শইকীয়ানী, সৰ্বভাৰতীয় কস্তুৰবা ট্ৰাষ্টৰ সম্পাদক ধীৰু ভাই মেহতা, যমুনালাল বঁটা বিজয়ী শ্ৰীযুত নটবৰ ঠক্কৰ, ৰবীন্দ্ৰ উপাধ্যায়, শ্ৰীযুতা শকুন্তলা চৌধৰী, হেম কাকতি, নীলপ্ৰভা গোহাই, স্বৰ্ণ দেৱী, আৰতি দেৱী, কুসুম বৰা আদিয়েও এই কেন্দ্ৰটিত পদাৰ্পণ কৰে। অসমৰ প্ৰথম মহিলা হাকিম দীনবান্ধৱী সুচিব্ৰতা ৰায়চৌধুৰী, কামৰূপ ৰত্ন খগেন বায়ন, প্ৰাক্তন পৰিবহন মন্ত্ৰী ৰাম শৰ্মা, প্ৰাদেশিক মহিলা সমিতিৰ সম্পাদিকা জয়লক্ষ্মী বৰা, সভানেত্ৰী অঞ্জলি বৰুৱা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সঞ্চালিকা জেউতী বৰুৱা, সমাজ কল্যাণ বিষয়া মঞ্জু বৰুৱা, গুৱাহাটীৰ মিতালী সংঘৰ সদস্যসকল, অসম মহিলা অভিযন্তা সন্থাৰ শ্ৰীনয়ন শৰ্মা ভাণ্ডাৰী, নিশিকান্ত চাং কাকতি, ইন্দুপ্ৰভা বৰুৱা লগতে অন্যান্য ১৬ গৰাকী অভিযন্তা, ডাঃ চিৰঞ্জীৱ কাকতি , ডাঃ চিত্তৰঞ্জন হাজৰিকা, ৰঞ্জন শৰ্মা, ডাঃ উষা গোস্বামী আদিৰ দৰে ব্যক্তিসকলে এই আশ্ৰমলৈ আহি সন্তোষ প্ৰকাশ কৰে। অসম সৰ্বোদয় মণ্ডলৰ সভাপতি শ্ৰীভীমকান্ত কোঁৱৰ (ডিব্ৰুগড় কানৈ কলেজৰ প্ৰাক্তন উপাধ্যক্ষ), অসম প্ৰাদেশিক গান্ধী নিধিৰ সভাপতি প্ৰাক্তন উপায়ুক্ত কৰুণাকান্ত বৰুৱা আদিৰ দৰে ব্যক্তিসকলে এই আশ্ৰমত পদাৰ্পণ কৰি বহুমুলীয়া পৰামৰ্শ দান কৰে।

এই ধৰণৰ গণ্য-মান্য অনেক লোকৰ উপৰিও জাপান, আমেৰিকা, ৰাছিয়া আৰু লণ্ডনৰ কেবাজনো লোকৰ এই আশ্ৰমত পদধুলি পৰে। এনেকৈয়ে অনেক ব্যক্তিৰ মৰম বুটলি এই অনুষ্ঠানটিয়ে ৬৫ বছৰত ভৰি দিছে। ওপৰত উল্লেখ কৰা ব্যক্তিসকলৰ উপৰিও আৰু বহু ব্যক্তিয়ে এই আশ্ৰমত পদাৰ্পণ কৰি আমাক প্ৰেৰণা যোগাইছে। এই স্মৃতি এটি মূল্যবান ৰত্ন হৈ আমাৰ জীৱনত জিলিকি থাকিব।

**প্ৰেৰণা :**

প্ৰথম অৱস্থাত নতুন ঠাইখনিত এটি পৰিৱেশ সৃষ্টি কৰি আগুৱাই নিয়াত স্থানীয় বহু ব্যক্তিয়ে মোক সহায় কৰিছে। সেই সকলৰ ভিতৰত সৰ্বশ্ৰীযুতা হীৰন্ময়ী কলিতা বাইদেউ, প্ৰফুল্লবালা দাস বাইদেউ, ৰেণু ৰাভা বাইদেউ, অচ্যুৎ অধিকাৰীদেৱ, বিমলা গোস্বামী বাইদেউ, ৰুণু পাঠক বাইদেউ, দেৱেশ্বৰ গোস্বামী দেৱ, পদ্মৰাম মহন্তদেৱ আদি অনেক ব্যক্তিৰ কথা পাহৰিব নোৱাৰিম। এনেদৰে বহু জ্ঞানীলোকৰ প্ৰেৰণাই ৩০ বছৰ ধৰি অঞ্চলটোত মূল্যবান সময়খিনি পাৰ কৰাত অৰিহণা যোগালে।

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত ক্ষুদ্ৰ লিখনিৰে অনুভৱ প্ৰকাশ কৰাত সুবিধা দিয়াত ইয়াৰ লগত জড়িত ব্যক্তিসকলক ধন্যবাদ দিয়াৰ লগতে মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

# ঐতিহ্যমণ্ডিত চমৰীয়া সত্ৰৰ চমু বৃত্তান্ত

গোবিন্দ বৈশ্য ৰাম মুৰাৰি
চমৰীয়া সত্ৰ

"মধুপুৰ কমলাবাৰী থান বৰপেটা
ও থান বৰপেটা।
দক্ষিণে ধৰ্মৰ খুটি বৰবিষ্ণু আতা
ও থান বৰপেটা।।

এইদৰে ভকতবৃন্দই তিথিয়ে পৰ্বই প্ৰাণঢালি থিয়নাম গাই আকাশ বতাহ মুখৰিত কৰি তোলে। ইয়াত চমৰীয়া সত্ৰক 'এক শৰণ হৰি নাম ধৰ্ম'ৰ দক্ষিণৰ ঘাই খুটা বুলি অভিহিত কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ ঠাই সমূহত ধৰ্ম প্ৰচাৰ-প্ৰসাৰত বিশেষভাৱে ব্ৰতী আছিল বৰবিষ্ণু আতা পুৰুষজনা। সেইকাৰণে শ্ৰীশ্ৰীমাধৱদেৱে বৰবিষ্ণু আতাক 'দখিণ কুলীয়া বৰবিষ্ণু আতা" বুলি অভিহিত কৰিছিল। বৈষ্ণৱ সমাজত বৰবিষ্ণু আতা "দখিণৰ ভূষণ সৰু গুৰু' হিচাপে সুপৰিচিত আছিল।

বৰবিষ্ণু আতাৰ পিতৃদত্ত নাম আছিল কংসাৰি। মাধৱদেৱে দিয়া নাম বিষ্ণু আতা আৰু শেষত বিষ্ণু নামৰ মহিমাৰে মহিমামণ্ডিত হৈ বৰবিষ্ণু আতালৈ উত্তৰণ ঘটে। নিজৰ দক্ষতা, গুৰুভক্তি আৰু গুণৰাজিৰে বৰবিষ্ণু আতা বিশেষ 'ন-জনা আতা পুৰুষৰ ' শাৰীত বহিবলৈ সক্ষম হৈছিল।

বৰবিষ্ণু আতাই প্ৰথমে মালঞ্চাত সত্ৰ স্থাপন কৰিছিল। পিছত কাঠমিলৈ স্থানান্তৰিত হয় আৰু শেষত গুৰুবাক্য শিৰে ধৰি চমৰীয়া সত্ৰ স্থাপন কৰে। এবাৰ মাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা, যদুমণি আতা সমন্বিতে কাঠমি-কলখোৱা হৈ হেৰামদৈলৈ নাঁৱেৰে যাত্ৰা কৰিছিল। কলখোৱা বিলৰ উজনিত নাও চপাইছিল আৰু তাত এটা অপূৰ্ব দৃশ্য দেখিবলৈ পাইছিল।

চৰিত পুথিত আছে -
"দেখিলেক চাম এক বৃক্ষ ভয়ঙ্কৰ।
এক যে প্ৰদীপ জ্বলি আছে বৃক্ষৰ ওপৰ।।"

এই দৃশ্যদেখি নাৰায়ণ দাস ঠাকুৰ আতাই মাধৱদেৱক ঠাইডোখৰৰ মহত্বৰ কাৰণ সুধিলে আৰু উত্তৰত মাধৱদেৱে এইদৰে কলে- "দ্বিতীয় বৈকুণ্ঠপুৰী হৈব এহি থান।
বৰবিষ্ণু আতা আসি কৰিব নিৰ্মাণ।।"

হেৰামদৈৰ পৰা ওভতি আহোঁতে কাঠমিত বৰবিষ্ণু আতাক এইদৰে কৈ যায়-
"কাঠমিত বিষ্ণু তুমি আৰু নাথাকিবা।
গোবিন্দপুৰত গৈয়া থানক পাতিবা।।"

মহাপুৰুষ মাধৱদেৱে ঠাইখনৰ বৃত্তান্ত বিৰৰি বৰবিষ্ণু আতাক এনেদৰে কয় -
"থৈবা নাম চমৰীয়া কৰিব নিবাস।
অদ্ভুত মহিমা হৈব স্থানৰ প্ৰকাশ।।"

মাধৱদেৱৰ আদেশ শিৰধাৰ্য কৰি বৰবিষ্ণু আতা পুৰুষে কাঠমি ত্যাগ কৰিলে আৰু গোবিন্দপুৰলৈ গৈ সত্ৰ প্ৰতিষ্ঠা কৰিলে। মাধৱদেৱৰ ভৱিষ্যত বাণী বাস্তৱত ৰূপায়িত হ'ল।
"পূৰ্বত গোবিন্দপুৰ নাম আছিলন্ত।
চাম গছে চমৰীয়া নাম যে ভৈলন্ত।।"

গোবিন্দপুৰ নামৰ উৎপত্তি সম্পৰ্কে বিশেষ সমল পোৱা নাযায়। কিংবদন্তিৰ আধাৰত ভৰ দি ঐতিহাসিক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। ভগৱান শ্ৰীকৃষ্ণই নৰকক বধ কৰিবলৈ অহাৰ বৰ্ণনা বৰবিষ্ণু আতাৰ চৰিতত এনেদৰে আছে-
"মহা প্ৰলয়ত মহা বট যে আছিল।
সেহি বৃক্ষে আসি চাম বৃক্ষ উপজিল।।
নৰকক কৃষ্ণে যে বধিবাক যান্ত।
এহি চাম বৃক্ষে কৃষ্ণদেৱে চৰিলন্ত।।
গৰুড় সত্যভমা কৃষ্ণ বহি তিনিজন।
পাঞ্চজন্য শঙ্খ কৃষ্ণে ফুকন্ত সঘন।।"

ভগৱান শ্ৰীকৃষ্ণৰ পদৰেণুৰে ৰঞ্জিত হোৱা তথা ধন্য হোৱা স্থানৰ গুৰুত্ব উপলব্ধি কৰিয়েই ইয়াৰ বাসিন্দাসকলে ঠাইখনৰ নাম 'গোবিন্দপুৰ' বুলি ঘোষণা কৰে। এনেকুৱা ধাৰণা কৰিব পৰা যায়।

আন এটা জনশ্ৰুতি মতে ইয়াত গাৰোৰ গোবিন্দ নামৰ লোক এজন বাস কৰিছিল। গুৰুধৰ্মত শৰণাপন্ন হোৱা লোক জনৰ প্ৰভাৱ ঠাইডোখৰত বাৰুকৈয়ে পৰিছিল। এইজনা গোবিন্দ আতাৰ নাম অনুযায়ী 'গোবিন্দপুৰ' হোৱা বুলি অনুমান কৰাৰ থল আছে।

১৫৮৮ খৃষ্টাব্দত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ আজ্ঞানুযায়ী বৰবিষ্ণু আতা পুৰুষে 'চমৰীয়া সত্ৰ' প্ৰতিষ্ঠা কৰে। ধৰ্মাচাৰ্য পাতিবৰ সময়ত মাধদেৱে এনেদৰে কৈছিল-

"এহি সিংহদ্বীপে আমি সিংহক মেলিলো।
ধৰ্মক আচাৰ্য আমি তোমাক পাতিলোঁ।
ইথানৰ ধৰ্ম কৰ্ম অৰ্পিলো তোমাক।
আমি নিষ্টে কওঁ তুমি যোগ্য পালিবাক।।

শ্ৰীশ্ৰীবৰবিষ্ণু আতা চৰিত

বৰবিষ্ণু আতা হ'ল চমৰীয়া সত্ৰৰ প্ৰথমজন সত্ৰাধিকাৰ। সত্ৰাধিকাৰ হোৱাৰ পিছৰে পৰা চমৰীয়াৰ আশে-পাশে থকা গাঁওবোৰৰ লোক হিলদল ভাঙি নতুন নতুন শিষ্যৰ প্ৰৱজন ঘটিল। শ শ লোকে বৰবিষ্ণু আতাৰ ওচৰত শৰণ গ্ৰহণ কৰি নিজকে ধন্য মানিলে। হৰিনামৰ ধ্বনিৰে 'দখিণ কোল' চানি ধৰিলে । গায়নে গালে, বায়নে বালে, ভাগৱতীয়ে ভাগৱতৰ ধ্বনি তুলিলে। নিতৌ চলি থকা চৈধ্য প্ৰসঙ্গৰ বাতাবৰণে চৌদিশ মুখৰিত কৰি তুলিলে। মুঠতে 'দখিণ কোল'ত বৈষ্ণৱ ধৰ্মৰ এক নতুন যুগৰ সূচনা হ'ল। বৰবিষ্ণু আতাৰ যশ-গুণ কেউদিশ সিঁচৰিত হৈ পৰিল।

এজোপা বটবৃক্ষৰ ছাঁত নানা পশু-পক্ষীয়ে যিদৰে আশ্ৰয় লয়, ঠিক সেইদৰে বৰবিষ্ণু আতা 'দখিণ কোল'ৰ বৃটবৃক্ষ স্বৰূপ আছিল । এইজনা মহান লোকৰ সান্নিধ্যত অনেক লোক তৰিল। বৰ্তমানেও 'দক্ষিণ কোল'ৰ মানুহৰ বাবে বৰবিষ্ণু আতা উজ্বলি আছে। আধ্যাত্মিকতাই প্ৰকৃত মানুহক গঢ় দিয়ে। আধ্যত্মিকভাৱে পুষ্ট লোকজনেই দেশৰ-দহৰ সমাজৰ হকে নিঃস্বাৰ্থ সেৱা আগবঢ়াব পাৰে। সুস্থ নাগৰিক সৃষ্টি কৰাৰ উদ্দেশ্য সন্মুখত ৰাখিয়েই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে 'সত্ৰ' নামৰ অনুষ্ঠানটিৰ জন্ম দিছিল। সত্ৰ হ'ল - 'সৎ লোক ত্ৰায়তে য়ত্ৰ।' অৰ্থাৎ য'ত সাধু সন্তৰ দ্বাৰা তৰিবৰ উপায় পোৱা যায়।

যি ঠাইৰ পৰা বিষ্ণু আহিছিল, পুনৰ সেই ঠাইলৈকে প্ৰত্যাগমন কৰিলে। পৃথিৱীৰ বিষ্ণু বৈকুণ্ঠৰ বিষ্ণুত লীন গ'ল। ফাগুনৰ শুক্লা দ্বিতীয়া তিথিত এইজনা আতা পুৰুষৰ আত্মা বৈকুণ্ঠত স্থিত হয়। আজিও তেৰাৰ বাৰ্ষিক তিৰোভাৱ তিথি প্ৰতি বছৰে তিনিদিনীয়া কাৰ্যসূচীৰে মহা পয়োভৰেৰে সৰ্বাঙ্গ সুন্দৰকৈ সুসম্পন্ন কৰা হয়। ইয়েই চমৰীয়া সত্ৰৰ 'ফাগুনৰ সভা' বা 'চমৰীয়া সভা' বুলি জনাজাত। এই সভাত বিভিন্ন প্ৰান্তৰ পৰা লোক আহি লোকে লোকাৰণ্য হৈ পৰে। সত্ৰবাসী ৰাইজৰ সেৱা শুশ্ৰুষাৰ বাবে বিশেষ তৎপৰ হৈ পৰে। এই সভাৰ বিশেষ বিশেষত্ব হ'ল এয়ে যে বৰবিষ্ণু আতাৰ তিৰোভাৱ তিথিৰ দিনা জাতি-ধৰ্ম নিৰ্বিশেষে পুৰুষ-মহিলা উভয়ে নামঘৰৰ ভিতৰত প্ৰৱেশ কৰি ভক্তি-অঞ্জলি যাচিব পাৰে। আন এটা বিশেষত্ব হ'ল তিথিৰ দিনা 'থলীঘৰত' দক্ষিণমুৰাকৈ প্ৰসঙ্গ কৰা হয়। ইয়াত সকলোৱে অংশ গ্ৰহণ কৰিব পাৰে। 'দখিণ কোল'ৰ বিশেষ আতা হিচাপে চিহ্নিত হোৱা বাবে বিশেষকৈ সিদিনাহে দক্ষিণমুৰাকৈ প্ৰসঙ্গ কৰা হয়। বৰবিষ্ণু আতাৰ তিৰোভাৱ তিথিৰ আগদিনা এখনি স্মৃতিচাৰণ সভাৰ অতিকে প্ৰয়োজন; য'ত বৰবিষ্ণু আতাৰ বিষয়ে প্ৰতি বছৰে আতাৰ চৰিতৰ ওপৰত স্মৃতি ৰোমন্থন হ'ব । তেতিয়া ৰাইজে বৰবিষ্ণু আতাৰ বিষয়ে সবিশেষ জানিবলৈ সক্ষম হ'ব আৰু আতাৰ তিৰোভাৱ তিথি পালন কৰা যথাৰ্থ হৈ উঠিব। এই সম্পৰ্কে চিন্তাশীল ব্যক্তিসকলে চিন্তা-চৰ্চা কৰিব বুলি আশা কৰিলোঁ।

চমৰীয়া সত্ৰৰ সত্ৰাধিকাৰৰ পদ অলংকৃত কৰা লোক সকল হ'ল যথাক্ৰমে -

বৰবিষ্ণু আতা-যদুমণি আতৈ ( বৰবিষ্ণু আতাৰ পুত্ৰ), জীৱন আতৈ (বৰবিষ্ণু আতাৰ নাতি)। জীৱন আতৈৰ পিছত শিৱানন্দ আতৈৰ বংশধৰে সত্ৰাধিকাৰ পদ লাভ কৰে। তেওঁলোক হ'ল - ৰামনাৰায়ণ সত্ৰীয়া (শিৱানন্দ আতৈৰ পুত্ৰ), ৰাম নাথ সত্ৰীয় (ৰাম নাৰায়ণৰ পুত্ৰ), দয়ানাথ সত্ৰীয়া ( ৰাম নাথৰ পুত্ৰ), ৰূপ ৰাম সত্ৰীয়া (ৰাম নাথৰ প্ৰ-পুত্ৰ), জগন্নাথ সত্ৰীয়া (ৰূপ ৰামৰ পুত্ৰ), কৃষ্ণকান্ত অধিকাৰী (জগন্নাথৰ পুত্ৰ), অচ্যুত কান্ত অধিকাৰী (কৃষ্ণকান্তৰ পুত্ৰ), শ্ৰীনিগমানন্দ অধিকাৰী (অচ্যুত কান্ত অধিকাৰীৰ পুত্ৰ)। বৰ্তমান মান্যবৰ শ্ৰীযুত নিগমানন্দ অধিকাৰীদেৱে চমৰীয়া সত্ৰৰ সত্ৰাধিকাৰৰ পদত শোভা বৰ্দ্ধন কৰি আছে। ওপৰত উল্লেখ কৰা সত্ৰাধিকাৰসকলৰ বাহিৰেও আন কেইজনমান সত্ৰাধিকাৰৰ কথা জানিব পৰা গৈছে। সেইসকলৰ ভিতৰত ভীমকান্ত মহন্ত, উমাকান্ত অধিকাৰী আৰু সথল মহন্তৰ নাম উল্লেখযোগ্য।

মহিমামণ্ডিত চামগছ জোপাৰ মুঢ়াৰ ওপৰত এগছি অক্ষয় বন্তি স্থাপন কৰা আছে। আজি চাৰিশ বছৰৰো অধিক কাল ধৰি অনিৰ্বাপিত ভাৱে প্ৰজ্বলিত হৈয়ে আছে। ই চমৰীয়া সত্ৰৰ প্ৰাণ

স্বৰূপ। প্ৰবাদ আছে যে যিদিনাই এই অক্ষয় বন্তি নুমাব, সিদিনাই চমৰীয়া সত্ৰত অমঙ্গলৰ সূচনা হ'ব।

বিভিন্ন প্ৰান্তৰ পৰা পৰিভ্ৰমণ কৰিবলৈ অহা লোকসকল চমৰীয়া সত্ৰৰ প্ৰাকৃতিক সৌন্দৰ্য দেখি বিমুগ্ধ হয়। সত্ৰৰ কাষেৰে নীৰৱে বৈ যোৱা মৰা কলহী নদীৰ সলিল ধাৰাই এক অপূৰ্ব দৃশ্যৰ অৱতাৰণা কৰিছে। কাষতে একেশাৰীতে থকা গকুল গছ কেইজোপা আৰু শিলৰ খট্‌খটীখনে সোণত সুৰগা চৰাদি সৌন্দৰ্যৰ এক মাত্ৰা সংযোজন কৰিছে। নিকততে সংলগ্ন হৈ থকা বিশেষ অৰ্থ বহনকাৰী গেটখনৰ কাৰু-কাৰ্যই সত্ৰৰ সৌন্দৰ্যত আৰু জেউতি চৰাইছে।

চমৰীয়া সত্ৰ নিকা সংহতিৰ সত্ৰ। উত্তৰ হাটী, দক্ষিণ হাটী, মধ্য হাটী আৰু পশ্চিম হাটী লগ হৈয়ে চমৰীয়া সত্ৰ। মূলহাটী চাৰিখনৰ লগত মুঠ বাৰখন 'পাৰা' বা 'চুবা' সাঙোৰ খাই আছে । সকলো সম্প্ৰদায়ৰ লোকে একে মহাপুৰুষীয়া নীতি আদৰ্শৰে একেটা নামঘৰতে সেৱা ভকতি প্ৰদান কৰি এক মিলাপ্ৰীতিৰে এনাজৰিৰে এখন বৃহৎ সমাজ পাতি শান্তি-সম্প্ৰীতিৰে বসবাস কৰি আহিছে। সত্ৰবাসীৰ আবাসীক গৃহৰ সংখ্যা প্ৰায় ছয়শ। গাঁৱৰ মুঠ জনসংখ্যা পাঁচ হাজাৰতকৈও অধিক। গাঁৱৰ নৱৈ শতাংশ লোক স্বাক্ষৰ। সত্ৰখন পৰিচালনা কৰিবৰ বাবে এখন সত্ৰ পৰিচালনা সমিতি থাকে। সত্ৰ পৰিচালনা সমিতিয়ে সমাধা কৰিব নোৱাৰা বিষয়বোৰহে সাধাৰণ সভাত মীমাংসা হয়। সেয়ে এই ঠাই ডোখৰক 'পকাকাম' বোলা হয়। অৰ্থাৎ কাম পাকা। কাৰো দ্বিমত থাকিব নোৱাৰাকৈ সুস্থিৰ চিন্তাৰে ইয়াত সুবিচাৰ হ'ব লাগে। তেতিয়া 'পকাকাম'ৰ মৰ্যাদা অক্ষুন্ন থাকে। তাৰ ব্যতিক্ৰম হ'লে 'পকাকাম'ৰ মৰ্যাদা হানি হয়। সেয়ে ৰাইজ এই বিষয়ত সদা সচেতন হোৱা বাঞ্ছনীয়।

'হিৰাপাৰা'ত থকা হিৰা সম্প্ৰদায়ৰ লোকসকলে মাটিৰ নানা পাত্ৰ তৈয়াৰ কৰি মৃৎ শিল্প কলাৰ ঐতিহ্য আজিও বহন কৰি আহিছে। চমৰীয়া সত্ৰৰ ঐতিহাসিক সমলসমূহে সত্ৰৰ অতীত ঐতিহ্যকে সোঁৱৰায়।

ঐতিহাসিক সমলসমূহ হ'ল -

(১) সাঁচিপতীয়া পুথি ২২ খন।

(২) ৰজাদিনীয়া তাম্ৰ ফলি।

(৩) ৰজাদিনীয়া দৌল মঠ।

(৪) শিলালিপি আৰু শিলৰ ভাস্কৰ্য।

(৫) মহাপুৰুষ মাধৱদেৱে নিজহাতে কটা 'গুৰু আসন' আৰু হাতেলিখা পুথি 'নাম মালিকা'।

(৬) কাঁহ-পিতল, লোৰ পুৰণিকলীয়া বাচন-বৰ্তন, গছা আদি।

(৭) কাঠেৰে নিৰ্মাণ কৰা মূৰ্ত্তি আদি।

চমৰীয়াৰ অতীত বুৰঞ্জীত স্বৰ্গদেউ লক্ষী সিংহই নিৰ্মাণ কৰা দৌল মঠটিয়ে এক সুকীয়া ঐতিহ্য বহন কৰি আছে। লক্ষী সিংহই ১৯৭১ খৃষ্টাব্দত ২২ ইঞ্চি দীঘল আৰু ১১ ইঞ্চি বহল এখনি তাম্ৰলিপি সত্ৰাধিকাৰ ৰামনাথ সত্ৰীয়াক ভকত সমন্বিতে প্ৰদান কৰে। ৮০৭ বিঘা ৩ কোঠা ৩ লেছা নিষ্পিখেৰাজ মাট দান কৰাৰ কথাও তাত উল্লেখ আছে। শ্ৰৱন-কীৰ্তন ধৰ্মত থাকি স্বৰ্গদেউক আশীৰ্বাদ কৰি থাকিবলৈ তামৰ ফলিত উল্লেখ আছে। নামঘৰৰ চৌহদত ১০ বিঘা ৩ কঠা ১৬ লেছা মাটি আছে।

সত্ৰৰ মজিয়াত প্ৰতিদিনে চৈধ্য প্ৰসঙ্গ চলি থাকে। তাৰোপৰি বিভিন্ন তিথি পাৰ্বনত খোল, তাল, বৰগীত, থিয়নাম, ভাওনা,নৃত্য আদি শঙ্কৰী কলা কৃষ্টিৰ প্ৰদৰ্শন হয়। কলা-কৃষ্টিবোৰ ৰক্ষণা-বেক্ষণাৰ বাবে বৰপেটা সত্ৰকে আদি কৰি অনেক সত্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা আছে। কিন্তু দুৰ্ভাগ্যবশত চমৰীয়া সত্ৰত তেনেধৰণৰ কোনো প্ৰশিক্ষণৰ ব্যৱস্থা নাই। সময় থাকোঁতে যথোপযুক্ত ব্যৱস্থা নল'লে এনেবোৰ কলা-কৃষ্টি সময়ৰ সোঁতত উটি ভাঁহি যাব বুলি আশঙ্কা কৰিবৰ থল আছে।

চমৰীয়া সত্ৰৰ পৰা শলা-বন্তি নি স্থাপন কৰা চমৰীয়া সত্ৰৰ শাখাসমূহ হ'ল- দামালচোচ সত্ৰ, দীঘল কুছি সত্ৰ, কৈমাৰী সত্ৰ, মালিবাৰী সত্ৰ, হৰিপুৰ সত্ৰ, দাৰিসত্ৰ, শ্যামৰায় সত্ৰ, ত্ৰিলোচন সত্ৰ আৰু খুটাবাৰী সত্ৰ। এই শাখা সত্ৰসমূহেও চমৰীয়া সত্ৰৰ অতীত ঐতিহ্য বহন কৰি আহিছে। নতুনকৈ কোনো শাখা সত্ৰ সৃষ্টি কৰিব পৰা হোৱা নাই মানে বুজিব পৰা যায় যে ধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত একেবাৰে দুৰ্বল পদক্ষেপ। গুৰুত্ব সহকাৰে ধৰ্মৰ দিশত মনোনিবেশ কৰিব পাৰিলে সুফল পোৱা যাব।

চমৰীয়া সত্ৰৰ ইতিহাসৰ লগত যিদৰে মহান পুৰুষ বৰবিষ্ণু আতাৰ জীৱন গাঁথা সাঙোৰ খাই আছে, ঠিক সেইদৰে বৈষ্ণৱ কবি ৰাম সৰস্বতীৰ চৰিতমালাৰ ঐতিহাসিক পটভূমিত বিশেষ ভূমিকা আছে। ৰাম সৰস্বতী সাধাৰণতে 'অসমৰ ব্যাসদেৱ' 'বধকাব্যৰ কবি' আৰু 'মহাভাৰতৰ কবি' হিচাপে বিশেষভাৱে খ্যাত। এইজনা মহান কবিয়ে মহাভাৰতৰ ভীষ্ম পৰ্বত এনেদৰে আত্ম পৰিচয় দাঙি ধৰিছে -

"কামৰূপ মধ্যে গ্ৰাম নাহিকে উপাম।  
তাতে গ্ৰাম ভৈলা চমৰীয়া যাৰ নাম।।  
সেহি গ্ৰামেশ্বৰ ভৈলা কবি চূড়ামণি।

পণ্ডিতগণৰ মাজে যাক অগ্ৰগণি।।
গোবিন্দৰ ভকতিত যাৰ দিন গৈলা।
তাত অনন্তৰে তাৰ দুই পুত্ৰ ভৈলা।।
জ্যেষ্ঠ ভৈলা কবি চন্দ্ৰ অতি শুদ্ধমতি।
তাহান অনুজ ভৈলা ৰাম সৰস্বতী।।

সেই কাৰণে ড০ মহেশ্বৰ নেওগে তেখেতৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' নামৰ পুথিখনত কবি গৰাকীৰ জন্মস্থান চমৰীয়া বুলি স্পষ্ট অভিমত দাঙি ধৰিছে। কটন মহাবিদ্যালয়ৰ তদানিন্তন অসমীয়া বিভাগৰ অধ্যাপক পবণ কুমাৰ বৰুৱাই তেখেতৰ গ্ৰন্থ 'কবি ৰাম সৰস্বতীৰ জীৱন আৰু দৰ্শন'ত ৰাম সৰস্বতীৰ জন্ম স্থান ছমৰীয়া বুলি স্থিৰ সিদ্ধান্ত দিয়ে। হেম চন্দ্ৰ গোস্বামীয়ে লিখা 'Descriptive catalogue of Assamse Manual' নামৰ কিতাপখনত উল্লেখ আছে যে জয় ৰাম সৰস্বতীৰ পুতেক কবি চূড়ামণিৰ দ্বিতীয় পুত্ৰ ৰাম সৰস্বতী উভয়ে চমৰীয়াৰ অধিবাসী। কিতাপখনৰ মতে চাৰিশ বছৰ পূৰ্বে চমৰীয়াত কবি চূড়ামণিৰ তত্বাৱধনাত এখনি সংস্কৃত টোল আছিল। তেখেত অঙ্কৰ কিতাপ এখনো প্ৰণয়ন কৰিছিল। সত্যেন্দ্ৰ নাথ শৰ্মায়ো চমৰীয়াত ৰাম সৰস্বতীয়ে জন্ম গ্ৰহণ কৰা বুলি ঠাৱৰ কৰিব খোজে। উপন্যাসিক কবি ড° জিতেন দাসে তেখেতৰ 'কলহী পাৰৰ কবিতা' নামৰ প্ৰবন্ধটিত ৰাম সৰস্বতীক কলহীপৰীয়া কবি বুলি উল্লেখ কৰিছে। যিহেতু চমৰীয়া কলহী নৈৰ পাৰত অৱস্থিত। ইমান বিলাক প্ৰমাণ থকাৰ পিছত পণ্ডিত মহলত কোনো ধৰণৰ মতানৈক্য থাকিব নালাগে।

এইজনা বৰেণ্য কবিৰ নামত চমৰীয়া সত্ৰত অনেক অনুষ্ঠান-প্ৰতিষ্ঠান আছে। যেনে- ৰাম সৰস্বতী সঙ্গীত বিদ্যালয়, ৰাম সৰস্বতী খেল পথাৰ, ৰাম সৰস্বতী সোঁৱৰণী ফুটবল খেল প্ৰতিযোগিতা, ৰাম সৰস্বতী বয়ন সমবায় সমিতি, ৰাম সৰস্বতী সেৱাশ্ৰম, ৰাম সৰস্বতী একাডেমী ইংলিচ মিডিয়াম স্কুল আৰু ৰাম সৰস্বতী সাহিত্য সভা, চমৰীয়া শাখা। মহান কবি গৰাকীক মহীয়ান কৰি ৰাখিবলৈ সত্ৰবাসী ৰাইজৰ এয়া নম্ৰ প্ৰয়াস।

স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰা ব্যক্তিসকল হ'ল - যথাক্ৰমে (১) নবীন চন্দ্ৰ কলিতা (তাম্ৰপত্ৰ)), (২) জনাৰ্দন শৰ্মা (তাম্ৰপত্ৰ), (৩) ৰামহৰি পাঠক (তাম্ৰপত্ৰ), (৪) ডম্বৰুধৰ বায়ন (তাম্ৰপত্ৰ), (৫) সত্য মেধী (তাম্ৰপত্ৰ), (৬) গিৰিশ চন্দ্ৰ বৰা (৭) ৰাধানন্দ মজুমদাৰ, (৮) বাহাদুৰ কলিতা আৰু (৯) গন্ধ পণ্ডিত।

অতীজৰে পৰা চমৰীয়া সত্ৰৰ জনসাধাৰণে দেশ, ৰাজ্য আৰু গাঁৱৰ অস্তিত্ব ৰক্ষাৰ হকে মাৰবান্ধি থিয় হোৱাৰ অনেক উদাহৰণ আছে। ভাৰতবৰ্ষ তথা বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত আৰম্ভ হোৱা অবৈধ বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত ১৯৮৩ চনৰ ১২ ফেব্ৰুৱাৰীৰ পুৱতি নিশাৰ এন্ধাৰৰ সুযোগ লৈ শ শ অবৈধ সন্দেহযুক্ত বাংলাদেশীয়ে চমৰীয়া সত্ৰ আক্ৰমণ কৰি বহুতো ঘৰত অগ্নি সংযোগ আৰু লুট-পাট আৰম্ভ কৰে। সেই সময়ত গাঁৱৰ ডেকা-বুঢ়া, যুৱতী-বুঢ়ী সকলোৱে একত্ৰিত হৈ শত্ৰু পক্ষৰ বিৰুদ্ধে অসীম সাহসেৰে যুঁজিছিল। কিন্তু দুৰ্ভাগ্যবশত আমি চিৰদিনৰ বাবে হেৰুৱাব লগা হ'ল আইতা ৰজনী বৈশ্য, গাভৰু মঞ্জু মহন্ত আৰু গঙ্গা কলিতাক। অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ বেদীত ছহিদ ৰূপে সোণালী আখৰেৰে অঙ্কিত হ'ল। ফেব্ৰুৱাৰীৰ ১২ তাৰিখটো প্ৰতি বছৰে 'ছহিদ দিৱস' হিচাপে পালন কৰিবলৈ লোৱা হ'ল। তেওঁলোকৰ অমৰ আত্মাই যাতে সদ্‌গতি লাভ কৰে, তাৰবাবে ভগৱন্তৰ ওচৰত প্ৰৰ্থনা জনালোঁ।

এটি সৰু প্ৰবন্ধৰ ভিতৰত সকলোবোৰ সামৰি ল'ব পৰাটো অসম্ভৱ। সেয়ে সবাৰো ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লোঁ। সৰ্বশেষত এইখিনি সুযোগ দিয়া বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'লো আৰু সোণালী জয়ন্তী বৰ্ষত সোণালী সপোনবোৰ বাস্তৱত ৰূপায়িত হোৱাৰ শুভ-কামনাৰে মহাপুৰুষ কৃপালু গুৰুজনাৰ শ্ৰীচৰণত শিৰ থৈ ভকতি অঞ্জলি যাচিলোঁ।

"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু ।।"

- নামঘোষা

'দখিণ কুলীয়া " - গুৰু চৰিতৰ শব্দ ( তাত 'খ' আছে)
চমৰীয়া - চৰিত পুথিৰ শব্দ (তাত 'চ' আছে)।

# দক্ষিণ কামৰূপৰ কেইবিধমান লুপ্তপ্ৰায় লোক-পৰিৱেশ্য কলা

ড° নগেন কলিতা
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
ছয়গাঁও মহাবিদ্যালয

লোক-কলা হৈছে লোক-সংস্কৃতিৰেই এটি অংগ। লোক-সংস্কৃতি গঢ়ি উঠে বিশেষকৈ গ্ৰাম্য সমাজৰ আশ্ৰয়তহে। গ্ৰাম্য সমাজ প্ৰধানকৈ শ্ৰমজীৱি। বিশেষভাৱে কৃষিকেন্দ্ৰিক শ্ৰমজীৱি মানুহেৰে ভৰা গাৱলীয়া সমাজ। এই গাঁৱলীয়া সমাজত গঢ় লৈ উঠে বিভিন্ন আচাৰ-অনুষ্ঠা, ৰীতি-নীতি। শিক্ষা-দীক্ষাৰ বিস্তাৰ, নগৰ-চহৰৰ বিস্তৃতিয়ে লোক-সংস্কৃতিৰ ৰূপসলনি কৰি দিব পাৰে। সেয়েহে হিন্দী সাহিত্যজগতৰ এগৰাকী প্ৰখ্যাত পণ্ডিতে মত পোষণ কৰিছিল যে গাঁৱলীয়া সমাজখনেহে সংস্কৃতিক শুদ্ধ ৰূপত ধৰি ৰাখিব পাৰে।

লোক-সংস্কৃতিৰ উল্লেখযোগ্য অংগ লোক-পৰিৱেশ্য কলাই নৃত্য, গীত আৰু নাটক সামৰি লয়। প্ৰায়ভাগ লোক-পৰিবেশ্য কলাতেই এই তিনিওটা উপাদান দেখিবলৈ পোৱা যায়। দুই এটাৰ অৱশ্যে ব্যতিক্ৰম দেখা যায়।

দক্ষিশ কামৰূপ অঞ্চল লোক-সাংস্কৃতিক দিশৰ পৰা কিছু সুকীয়া বিশেষত্বৰে বিৰাজমান। ভাষিক ক্ষেত্ৰতো দক্ষিশ কামৰূপ অঞ্চলৰ সুকীয়া পৰিচয় পোৱা যায়। উপভাষাৰ দৃষ্টিৰে বিচাৰ কৰিলে দক্ষিণ কামৰূপৰ উপভাষাৰ সুকীয়া কিছুমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়।

দক্ষিণ কামৰূপৰ লোক-সংস্কৃতিৰ অন্তৰ্গত এনে কেইবিধমান লোক পৰিৱেশ্য কলাৰ সম্পৰ্কত এই লেখাৰ মাজেৰে আলোকপাত কৰাৰ চেষ্টা কৰা হ'ব। দক্ষিশ কামৰূপৰ এবিধ লোক-পৰিবেশ্য কলা হ'ল 'মহো-হো'। আঘোণ মাহৰ পূৰ্ণিমা তিথিত এই মহো-হো উৎসৱ উদ্‌যাপন কৰা হয়। আঘোণ মাহত কৃষিজীৱি মানুহৰ বৰ-বিশেষ কাম-বন নাথাকে। এই মাহৰ পূৰ্ণিমা তিথিৰ দিনা নিশা ফটফটীয় জোনাকৰ পোহৰত এই উৎসৱ পালিত হয়।

গ্ৰীষ্ম কালত মহৰ উৎপাত বেছি হয়। মহ মানুহৰ অনিষ্টকাৰী জীৱ। মহৰ বিভিন্ন প্ৰজাতি আছে। মহৰ কামোৰত মানুহৰ বিভিন্ন বেমাৰ হয়। সেয়েহে মহক মানুহে শত্ৰু জ্ঞান কৰে। অবিভক্ত কামৰূপ জিলাৰ তামুলপুৰৰ ওচৰ-পাজৰৰ অঞ্চলবোৰত মেলেৰীয়াই মহামাৰী ৰূপ ধাৰণ কৰা কথাটো সকলোৰে জ্ঞাত। এনে অনিষ্টকাৰী জীৱবিধ নিৰ্মূল কৰাৰ প্ৰবল ইচ্ছা হয়তো মানুহৰ মনত খেলিছিল। সেয়েহে হয়তো গাঁৱৰ কিশোৰহঁতে মহৰ বংশ নাশ কৰিবলৈ টাঙোণ লৈ ওলাই আহিছিল আৰু গাঁৱৰ প্ৰতিঘৰ মানুহৰ ঘৰে ঘৰে গৈ মহ খেদাৰ চেষ্টা কৰিছিল। কিশোৰহঁতে মানুহৰ চোতালত উপস্থিত হৈ টাঙোনত কোবাই কোবাই শব্দ কৰি মহ খেদিবলৈ বিচাৰিছিল। মহৰ সৈতে জড়িত এই লোক-বিশ্বাসৰ আশ্ৰয়ত গঢ়ি উঠা লোক উৎসৱৰ গইনা লৈ সৃষ্টি হৈছে এক লোক পৰিবেশ্য কলা- মহো-হো। মহো-হো অৱশ্যে কামৰূপ আৰু দৰং জিলাতো উদ্‌যাপন কৰা হয়। কামৰূপৰ উত্তৰ আৰু দক্ষিশ দুয়োপাৰত উদ্‌যাপিত মহো-হো ৰ কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

উত্তৰ কামৰূপত এদল ডেকাই আঘোণৰ পূৰ্ণিমা তিথিৰ দিনা ৰাতি গৃহস্থৰ চোতালত বৈ ঘূৰণীয়াকৈ থিয় হয়। এজনৰ হাতত দীঘল টাঙোন এডাল থাকে। দীঘল টাঙোনডাল হেলনীয়াকৈ ধৰি ঘূৰি থাকে। তেওঁৰ পিছে পিছে অন্য ডেকাবোৰে তেওঁলোকৰ হাতত থকা টাঙোনেৰে হেলনীয়াকৈ ধৰি থকা টাঙোনডালত কোবাই কোবাই গীত জোৰে। যিজনে দীঘল টাঙোনডাল ধৰি থাকে, তেঁৱেই গীত লগাই দিয়ে আৰু বাকীবোৰে তেওঁক সহযোগ কৰে। মুখ্য গায়কজনে গীতৰ

প্ৰথমটো কলি গালেই পৰৱৰ্তী কলিটো বাকী সকলে গায়। এনেদৰে গীত গাই গাই তেওঁলোকে চোতালত ঘূৰি ফুৰে। উত্তৰ কামৰূপত প্ৰচলিত মহো-হো গীত এনে ধৰণৰ-

| মুখ্য গায়ক | সংগীসকল |
|---|---|
| অহো হো মহো-হো | মহ খেদ্‌বা যাওঁ জো |
| মহে বোলে হাও হাও | টেঁপোৰ পুৰা খাই যাওঁ |
| মহে বোলে মল্লো দে | টেঁপোৰ পুৰা খালো দে |
| টেঁপোৰত নহাল নুন | চাউল লাগে ডোণ ডোণ |
| চাউল নেদি দিলা কৰি | এইঘৰ গিৰিৰ নাই লৰা-লৰি |
| লৰা-লৰি কৰাওতে | সনাৰ নাঙাল বাওতে |
| সনাৰ নাঙাল ৰূপাৰ ফাল | এইঘৰ গিৰি দেখবা ভাল |
| ভালা ভালা চতোল | এইঘৰ গিৰি কাটোন |

এনেদৰে গীত গোৱাৰ অন্তত মুখ্য গায়কে আশীসবচন দিয়ে এনেদৰে-ভাল হওঁক, কুশল হওঁক, শান্তিৰে ৰাখক, জয়ে ৰাম বোলা, জয়ে হৰি বোলা।

গীত গাই হৰিধ্বনি দিয়াৰ অন্তত গৃহস্থই তামোল-পাণেৰে বঁটাখন আগবঢ়াই তামোল-পাণৰ সৈতে পইচা যিয়ে যেনেকৈ পাৰে আগবঢ়ায়। পইচা দিব নোৱাৰিলে চাউল দিয়ে।

মাননি সম্পৰ্কতো গীতৰ মাজেৰেই ডেকাসকলে প্ৰকাশ কৰে-

বাঁহৰ পাত চিকিমিকি
আমাক লাগে একো সিকি
বাঁহৰ পাত লেইচা
আমাক লাগে পইচা
বাঁহৰ পাত পকা
আমাক লাগে টকা

এনেদৰে ধেমালি কৰি ডেকাসকলে আনন্দ লাভা কৰে। উল্লাসিত ডেকাসকলে গৃহস্থৰ ধানৰ ভঁৰাল ভৰি পৰিবলৈকো আশীৰ্বাদ দিয়ে-

ভঁৰালত ধান হওঁক
গলিত গৰু হওঁক

কৃষিজীৱি সমাজৰ গৰুৰ সৈতে এৰাব নোৱাৰা সম্পৰ্ক। গৰু থাকিলেহে কৃষি কাৰ্য কৰিব পৰা যাব আৰু কৃষি কৰিলেহে বছৰটোৰ বাবে ধান কেইটা যোগাৰ কৰিব পৰা যাব। ধানেৰে ভঁৰালটো উপচি পৰিলে, গোহালিত এগোহালি গৰু থাকিলে, গাঁৱলীয়া কৃষকৰ বাবে তাতকৈ আৰু কি আনন্দৰ কথা হ'ব পাৰে।

দক্ষিণ কামৰূপৰ 'মহো-হো' উৎসৱ উত্তৰ কামৰূপতকৈ সামান্য বেলেগ। দক্ষিণ কামৰূপত মহ খেদিবলৈ যোৱা কিশোৰৰ দলটোৰ এজনে কলগছৰ শুকান পাত কিছুমান একগোটকৈ বান্ধি ঠাৰিবোৰ ওপৰমুৱাকৈ ৰাখি কলপাতৰ মুঠিটো মূৰত পিন্ধি পাতবোৰেৰে নিজৰ দেহটো ঢাকি ৰাখি কঁকালত এনেদৰে বান্ধি লয় যাতে ওলাই নপৰে। এই কলপাত পৰিধান কৰা কিশোৰজনক 'ভালুক' বুলি কোৱা হয়।

কিশোৰৰ দলটোৰ যিজনে গীত লগাই দিয়ে তেওঁ ঠৰকা বজাই বজাই ভালুকক নচুৱায়। মুখ্য গায়কে গীতৰ প্ৰথম কলিটো গোৱাৰ লগে লগে অন্য সংগীসকলে পিছৰ কলিটো গায়।

| মুখ্য গায়ক | সংগীসকল |
|---|---|
| অ'ৰি অ'ৰি মহো-হো | মহ মাৰিবা টকান লৌ |
| মহে বুল মইল্লুৰে | টেপুৰ পুৰা খাইলুৰে |
| টেপুৰত নহল নুন | চাউল চৰে ডুন ডুন |
| চাউল ধুই ধুই দিলাপানী | এথেৰ ঘৰ লৰি চৰি |
| লৰি চৰি যাইবো ৰে | সোণাৰ মণি পাইবো ৰে |
| সোণাৰ মণি ৰূপাৰ মালা | গিৰিঘৰ দেখবা ভালা |
| ভালা ভালা চাপেৰি | গিৰিঘৰ কাটেনি |
| হাল বালু সিৰালে | মৈ দিলু বাটে |
| এথেৰ মায়াকোক পাৰ কৰিলু | সোণতলীৰ ঘাটে ঘাটে |
| এথেৰ ঘৰত তুঁহোৰ ধোঁৱা | চলি কান্দে কুঁহা কুঁহা |
| সিকি সিকি আধেলি | এহঁাতোৰ মায়াক |

দীঘেলী

| | |
|---|---|
| লাওৰ পাত চকা চকা | এহাঁতে দিব বগা টাকা |
| নাচ ভালুকী নাচোৰে | হাই লুকা হাইৰে। |

এনেদৰে গীত গাই শেষত গৃহস্থক আশীৰ্বাদ প্ৰদান কৰে। সন্ধিয়াৰ পৰা মানুহ শুবলৈ যোৱাৰ আগমুহূৰ্তলৈ কিশোৰসকলে দল বান্ধি মানুহৰ ঘৰে ঘৰে গৈ এনেদৰে মহ খেদি ফুৰে।

মহ খেদিবলৈ যোৱা কিশোৰহঁতে মহো-হো গাবলৈ যাব বুলি অনেক গৃহস্থই আশাৰে বাট চাই থাকে। কিয়নো এই কিশোৰহঁত গৰখীয়া সদৃশ। গৰখীয়াসকলৰ মাজত কৃষ্ণৰ ৰূপ কল্পনা কৰা হয়। গতিকে গৰখীয়াই অসমীয়া সমাজত এক বিশেষ স্থান লাভা কৰি আছে।

মহো-হো উৎসৱৰ যোগেদি মহ খেদা যি লোকবিশ্বাস সেয়া কেতিয়া গঢ়লৈ উঠিছিল কোৱা টান। হয়তো অনাখৰী গাঁৱলীয়া লোকসকলে বিশ্বাস কৰিছিল যে দলবদ্ধভাৱে মহ খেদিবলৈ ওলাই গ'লে মহ নাইকিয়া হয়। মহ নাইকিয়া হোৱা

মানেই সমাজৰ মংগল।

শিক্ষা-দীক্ষাৰ প্ৰসাৰৰ লগে লগে হয়তো লোক বিশ্বাস সমূহকো যুক্তিৰ তুলাচনীত তুলি চোৱা হ'ল। বিজ্ঞানৰ যুক্তিৰে ফঁহিয়াই চোৱা হ'ল। মহ খেদাৰ বিভিন্ন বৈজ্ঞানিক উপায় আৱিষ্কাৰ হ'ল। মহৰ পৰা ৰক্ষা পোৱাৰ বাবে ঔষধযুক্ত আঁঠুৱা ব্যৱহাৰ কৰিব পাৰি, ডি-ডি-টি চটিয়াব পাৰি, ঔষধযুক্ত বিভিন্ন ধোঁৱাৰ সামগ্ৰী ওলাইছে। মহে কামুৰিলে বেমাৰৰ পৰা ৰক্ষা পোৱাৰ বাবে ইনজেক্চনো আৱিষ্কাৰ হৈছে। এনে পৰিৱেশত 'মহো-হো' বৰ্তি থকাৰ ক্ষেত্ৰত প্ৰশ্নৰ উদয় হোৱাটো স্বাভাৱিক। অৱশ্যে লোক-বিশ্বাসৰ সৈতে বিজ্ঞানৰ সম্পৰ্ক নাই।

মহে-হো উৎসৱ বিলুপ্তৰ পথত অগ্ৰসৰ হলেও মহো-হো যিহেতু এবিধ লোক-পৰিবেশ্য কলা, ইয়াক কলা হিচাপে জীয়াই ৰাখিব লাগিব। বিভিন্ন সাংস্কৃতিক শোভা যাত্ৰা, সাংস্কৃতিক কাৰ্যসূচীত মহো-হোৱে স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

দক্ষিণ কামৰূপৰ অন্য এক লোক-পৰিবেশ্য কলা হ'ল জেজাৰা। গোৱালপাৰা জিলাৰ ঠাই বিশেষে এই জেজাৰাৰ প্ৰচলন নোহোৱা নহয়। দক্ষিণ কামৰূপৰ এই 'জেজাৰা' নামৰ পৰিবেশ্য কলাবিধ বিলুপ্ত প্ৰায়। জেজাৰা হ'ল কিশোৰৰ দলৰ দ্বাৰা পৰিবেশিত এক লোক-পৰিবেশ্য কলা। ব'হাগ বিহুৰ সময়ত কিশোৰসকলে দলবদ্ধ হৈ মানুহৰ ঘৰে ঘৰে গৈ এইবিধ লোককলাৰ পৰিবেশন কৰে।

জেজাৰ দলটোত মুঠতে চাৰিজন কিশোৰ থাকে। তাৰ ভিতৰত দুজনে জেজাৰা কান্ধত আঁৰি লয়। এজনে কুৰ কুৰি কঁকালত আৰি লয়, এজনে খুটিতাল বা মঞ্জিৰা হাতত লয় আৰু মঞ্জিৰা লোৱাজনেই কান্ধত এখন মোনা আঁৰি লয়। জেজাৰা দলৰ ঢোলকেইটাকেই জেজাৰা বুলি কোৱা হয়।

তুলনামূলকভাৱে ডাঙৰ ঢোল দুটা বা জেজাৰা যি দুজনে লয় সেইদুজনেই নৃত্য কৰে। সৰু জেজাৰা বা কুৰি বজোৱাজনে তেওঁৰ বাদ্যৰ যোগেদি তাল ৰাখে। খুটি তাল বজোৱাজনে এইজনৰ সৈতে সহযোগ কৰে।

সাজ-পাৰ বুলি ক'লে মূল জেজাৰা দুজনে ক'লা পাইজামা আৰু ক'লা চোলা পিন্ধে। পাইজামাত অন্য ৰঙৰ পটী লগোৱা হয়। জেজাৰা দুজনে মূৰত টুপী পিন্ধে। এই টুপী তামোলৰ ঢকুৱাৰে সাজি তাত ৰং সানি দিয়া হয়। এতিয়া অৱশ্যে ৰঙীণ কাগজৰ টুপী ব্যৱহাৰ কৰিবলৈ লৈছে। জেজাৰা দুজনৰ ক্ষেত্ৰতহে সাজ-পাৰ নিৰ্দিষ্ট কৰা আছে। অন্য দুজনে নিজৰ ইচ্ছানুসাৰে সাধাৰণ সাজ-পাৰকেই পৰিধান কৰে। খুটি তাল বজোৱাজনে কান্ধত এখন মোনা ওলোমাই লয়। গৃহস্থই দিয়া মাননি তেওঁ গ্ৰহণ কৰে।

জেজাৰ দুজনে প্ৰসাধন ব্যৱহাৰ কৰে আৰু সুন্দৰ মোচ লগাই লয়। মোচ লগাই তেওঁ এনে ভংগীমা প্ৰদৰ্শন কৰে যেন তেৱেঁই নায়ক বা বীৰ। জেজাৰৰ ছেৱে ছেৱে দুয়োজন নটুৱাই নাচিবলৈ ধৰে। নাচি থকাৰ মাজতে দুয়োজনৰ মাজত বিতৰ্ক হয়। অৱশ্যে এই বিতৰ্ক অভিনয়ৰ মাজেৰে ফুটাই তোলে। কিয়নো ইয়াত কোনো ধৰণৰ সংলাপ নাই। দুয়োজনে মূক ভাবেই যুক্তি-তৰ্কত লিপ্ত হয়। এনে যুক্তি-তৰ্ক চলি থকাৰ মাজতে এজন জেজাৰাই লগৰজনক অন্য দিশলৈ আঙুলিয়াই দি সেইফালে চাবলৈ কয়। সেই দিশত মন দিওতেই এইজন নটুৱাই তেওঁৰ মূৰৰ টুপীটো থাপ মাৰি আনি লুকুৱাই ৰাখে।

তেতিয়া জেজাৰাজনে তেওঁৰ টুপীটোৰ বিচাৰ লয়। লগৰ কেইটাক সোধে কোনে নিচে। কোনেও নকয়, শেষত মঞ্জিৰা বজোৱাজনে কৈ দিয়ে লগৰ জেজাৰাজনে নিয়া বুলি। তেতিয়া টুপী চুৰ কৰাৰ অপৰাধৰ শাস্তি হিচাপে এইজন জেজাৰাই তেওঁৰ কাণত ধৰে। তেৱো নিজৰ দোষ স্বীকাৰ কৰে। তেতিয়া দুয়োজনে আকৌ মিলা-প্ৰীতিৰে নাচিবলৈ ধৰে। এনেদৰে নাচি নাচি দৰ্শকক আমোদ প্ৰদান কৰে।

জেজাৰা নাচৰ অন্তৰ্নিহীত অৰ্থ হ'ল -উন্মত্ততাৰ বিপৰীতে নম্ৰতা; হিংসাৰ বিপৰীতে প্ৰেম-ভালপোৱা। অপৰাধৰ যে দণ্ড আছে আৰু সেই দণ্ডই সমাজত স্থিৰতা অনাত সহায় কৰে তাকেই প্ৰতীকাত্মক ভাবে প্ৰদৰ্শন কৰা হয়। অপৰাধ কৰিলে কাণত ধৰা বা কাণত ধৰি উঠা-বহা কৰোৱাটো এক প্ৰকাৰ শাস্তি। অপৰাধ কৰিলে শাস্তি দিয়াটো নয়ম। তেতিয়াহে অপৰাধীৰ সংখ্যা কমিব। জেজাৰা দলে সেই বাণীকেই ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰে।

দক্ষিণ কামৰূপৰ এইবিধ আকৰ্ষণীয় লোকপৰিবেশ্য কলা এতিয়া লুপ্ত বুলি ক'লেও বঢ়াই কোৱা নহয়। জেজাৰা দল এতিয়া বিচাৰি পাবলৈ টানে।

দক্ষিণ কামৰূপৰ অন্য এক লোক-পৰিবেশ্য কলা হ'ল খঞ্জৰী খমক আৰু মঞ্জিৰা। এইবিধ গীতত এজন মূল গায়ক থাকে। মূল গায়কৰ সৈতে পালি বহুজন থাকে। পালিসকলে মূল গায়কক সহায় কৰে। খুঞ্জৰী গীতৰ মজলিচ যেতিয়া আৰম্ভ হয়, ওচৰ-চুবুৰীয়া অন্য পুৰুষ-মহিলাই আগ্ৰহেৰে শুনিবলৈ আহে।

গাঁৱৰ শ্ৰমজীৱি মানুখিনিয়ে দিনটোৰ শ্ৰমৰ অন্তত দুখ-ভাগৰ পাহৰি এনেদৰে একগোট হৈ গীতৰ মাজেৰে দেহৰ দুখ-ভাগৰ পাহৰি থাকে। এই দলটো সন্ধিয়া কাৰোবাৰ চোতালত, কাৰোবাৰ বাৰান্দাত একগোট হৈ গীত পৰিবেশন কৰে।

এইবিধ গীতত প্ৰধানভাবে দেহ-বিচাৰ তত্বই প্ৰাধান্য লাভ কৰে। এনে আধ্যাত্মিক তত্ব গীতৰ মাজেৰে প্ৰতিফলিত হোৱাত বয়সিয়াল পুৰুষ-মহিলাসকলে এই গীতৰ প্ৰতি সহজে আকৰ্ষিত হয়। খুঞ্জৰী গীতত পৰিবেশন কৰা এটি গীত এইখিনিতে উল্লেখ কৰিব বিচাৰিছোঁ।

হে প্ৰাণ গোপাল
পাতিলি মায়াৰে খেলি
সাগৰৰ মাজতে মই জাম্প মাৰিলো
মাণিক পাইবাৰ আশে;
মাণিকো পাইলো আঞ্চলে বান্ধিলো
হেৰাল মোৰ কপালৰ দোষে।
শামুকৰ পেটতে মাণিক উপজিলা
গলিত উপজিলা গৰু;
চৈধ্যখন ব্ৰহ্মাণ্ড মই ঘুৰি ফুৰিলো
জীৱৰো নাপাইলু সৰু।
সাগৰৰ মাজতে মই বৈঠা পাৰিলো
ব্ৰহ্মাণ্ড ভেদিয়া গজে;
ফুল নসৰাওতে বেটু সৰি পৰে
সেই বেটু বৰ কাজত লাগে।
কহয় মাধৱ শুনা মোৰ বান্ধৱ
সন্তত পীৰিতি কৰা;
সন্তত পীৰিতি নিৰ্মল ভকতি
সুখে সংসাৰত তৰা।

গীতবোৰৰ মাজেৰে প্ৰতিফলিত হোৱা আধ্যাত্মিক দৰ্শনে মানুহক মোহিত কৰে আৰু মানুহক ঈশ্বৰমুখী কৰি কু-কৰ্মৰ পৰা আঁতৰাই ৰখাত সহায় কৰে।

দক্ষিণ কামৰূপৰ লোক-পৰিৱেশ্য কলা এই খুঞ্জৰী গীত এতিয়া বিলুপ্তিৰ দিশত।

লোক-সংস্কৃতিৰ অমূল্য সম্পদ এই লোক-পৰিৱেশ্য কলাসমূহ উদ্ধাৰ কৰি সংৰক্ষণ কৰিবৰ প্ৰয়োজন হৈছে। নহ'লে এইবোৰ কালৰ সোঁতত উটি যাবগৈ।

প্ৰসংগ পুথি ঃ চাংমা, ষ্টেডী-এন এডৱাৰ্ড (সম্পাদিত) দক্ষিণ কামৰূপৰ লোক-সংস্কৃতি (২য় খণ্ড)ঃ পলাশবাৰী সাহিত্য সভা ২০১০ চন।
কৃতজ্ঞতা ঃ সুকুমাৰ মেধি, সাংবাদিক তথা সাংস্কৃতিক কৰ্মী, ছয়গাঁও।

❁❁❁

# দক্ষিণ কামৰূপৰ লোক পৰিৱেশ্য কলা

অতুল চন্দ্ৰ দাস
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
এচ. বি. এম. এচ. কলেজ

**দক্ষিণ কামৰূপ অঞ্চলৰ জন-সাংস্কৃতিক গাঁথনি ঃ**

ঐতিহ্যসিক দৃষ্টিকোণেৰে দক্ষিণ কামৰূপ অঞ্চল যেনেকৈ গুৰুত্বপূৰ্ণ তেনেকৈ ইয়াৰ জন-সাংস্কৃতিক গাঁথনিও মন কৰিবলগীয়া। বকোৰ ওচৰৰ হাহিমত নৱ প্ৰস্তৰ যুগৰ বুলি ঠাৱৰ কৰা শৈল আহিলা আৱিস্কাৰ হোৱাৰ পৰা প্ৰমাণ কৰিব পাৰি যে এই অঞ্চল প্ৰাচীন লোকৰ বিচৰণভূমি আছিল। নৃতত্ত্ববিদসকলৰ গৱেষণাৰ ফলত দক্ষিণ কামৰূপৰ কিমানখিনি অঞ্চল প্ৰস্তৰ যুগৰ মানুহৰ বিচৰণভূমি আছিল, সেইটো স্পষ্ট হ'লে ইয়াৰ মানুহৰ ইতিহাস সম্পৰ্কেও নতুন তথ্যৰ অৱতাৰণা হোৱাৰ অৱকাশ আছে। সি যি কি নহওঁক, ইতিহাসৰ আলোকত বিচাৰ কৰিলে দেখা যায়, দক্ষিণ কামৰূপত অতীজতে কেইবাখনিও সৰু সৰু স্বাধীন ৰাজ্য আছিল আৰু সেইবোৰত একো একোজন জনজাতীয় ৰজাই শাসন কৰিছিল। ডিমৰীয়া, ৰাণী, লুকী, বনগাঁও, পাণ্টান আদি ৰাজ্যৰ জনজাতীয় ৰজাসকলে আহোম স্বৰ্গদেউৰ পৰা বিশেষ মান-সন্মান লাভ কৰিছিল। এই দৃষ্টিকোণেৰে উজাই গৈ বিচাৰ কৰিলে পূৰ্বতে এই অঞ্চল অষ্ট্ৰ' মংগোলয়ড নৃগোষ্ঠীৰ আবাস ভূমি আছিল বুলি ক'ব পাৰি। অষ্ট্ৰ' মংগোলয়ড নৃগোষ্ঠী চীন দেশৰ দক্ষিণ অংশৰপৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী, চালুইন, মেকং আদি নদীৰে অসম, ব্ৰহ্মদেশ, ইন্দোচীন আদিলৈ প্ৰব্ৰজিত হৈছিল। সেয়েহে অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত অষ্ট্ৰ' মংগোলীয় নৃগোষ্ঠীৰ বংশধৰ বসবাস কৰে। দক্ষিণ কামৰূপত এই নৃগোষ্ঠীৰ অন্তৰ্ভুক্ত বড়ো-কছাৰী, মেছ, ৰাভা, গাৰো, কোছ হাজং আদি লোকে বসবাস কৰে। নৈপৰীয়া মৎস্যজীৱীসকল আৰু লোহাৰঘাট চাহ বাগানত বনুৱাৰ কাম কৰা লোকসকলৰ মাজত দ্ৰাবিড়ীয় নৃগোষ্ঠীৰ বংশধৰ পোৱা যায় নেকি নৃ-লোকতত্ত্বাবিদসকলৰ বিচাৰ্য বিষয়। পৰৱৰ্তী কালত এই অঞ্চললৈ আৰ্য-ভাষা-ভাষী নৰ্ডিকসকলৰো আগমন হৈছিল। ব্ৰাহ্মণ, কায়স্থ, কলিতা, বৈশ্য আদি লোক শেষ প্ৰব্ৰজনকাৰী নৃগোষ্ঠী নৰ্ডিকসকলৰ বংশধৰ। নৃগোষ্ঠীসমূহৰ বাহিৰেও প্ৰব্ৰজিত নেপালী আৰু অভিভাষী মুছলমান সম্প্ৰদায়ৰ লোকেও এই অঞ্চলত স্থায়ীভাৱে বাস কৰি মিলনৰ সংযুতি গঢ়ি তুলিছে।

ক'ব পৰা যায় যে দক্ষিণ কামৰূপৰ জন সাংস্কৃতিক গাঁথনি অষ্ট্ৰ' মংগোলয়ড, আৰ্যভাষী নৰ্ডিক, দ্ৰাবিড় আদি নৃগোষ্ঠীৰ সংস্কৃতি গ্ৰহণ (acculturation), সমাহৰণ আৰু সংশ্লেষণ প্ৰক্ৰিয়াৰ সংযোগত সম্পূৰ্ণ হৈছে। মধ্যযুগৰ বিশেষকৈ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্ত্তিত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰণৰ সময়ত সংশ্লেষণ প্ৰক্ৰিয়া ব্যাপক হয় আৰু ফলত বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সংস্কৃতকৰণৰ প্ৰৱণতা বৃদ্ধি পায়। তৎসত্ত্বেও এই অঞ্চলৰ লোক সমষ্টিত জাতি আৰু জনজাতিৰ উভয় বৈশিষ্ট্য ৰক্ষিত হৈছে।

**লোক পৰিৱেশ্য কলা ঃ**

'লোক পৰিৱেশ্য কলা' লোক সংস্কৃতিৰ এটি প্ৰাণৱন্ত অংগ। লোক সংস্কৃতি লোক সমাজত ভূমিষ্ঠ হৈ লালিত-পালিত হয়।[১] এই 'লোক (folk)' শব্দটিৰ অভিপ্ৰেত অৰ্থ স্পষ্ট হোৱা উচিত।

উনবিংশ শতিকাৰপৰা সংশ্লিষ্ট ক্ষেত্ৰত এই 'লোক (folk)' শব্দটি সম্পৰ্কে বহল আলোচনা-পৰ্যালোচনা হৈ আহিছে। এই আলোচনাত সেইবোৰৰ পোহাৰ মেলা এক বিৰক্তিকৰ অপচেষ্টাৰ নামান্তৰ মাথোন। গতিকে খুজি কিল খোৱা পথৰ পৰা সন্তৰ্পণে আঁতৰি আহি এই সম্পৰ্কে এলান ডাণ্ডিজে আগবঢ়োৱা সূত্ৰটোকে অনুসন্ধিৎসু মনৰ পদুলিত হাজিৰ কৰোৱালো পণ্ডিত গৰাকীয়ে কৈছে — "The term

'folk' can refere to any group of people whatsoever who share at least one common factor" ন্যূনতম উমৈহতীয়া অংশীদাৰ কোনো জনসমষ্টিক লোক বুলিব পাৰি।[২] পৰিৱেশ ভেদে উমৈহতীয়া উপাদানৰ ভিন্নতা থাকিব পাৰে, সেইটো মুখ্য নহয়, কেৱল ই সেই জনসমষ্টিৰ মাজত সংযোগ ৰক্ষা কৰিবলৈ সক্ষম হ'ব লাগিব।

'পৰিৱেশ্য কলা' হ'ল লোক বা চহাসকলৰ দ্বাৰা পৰিবেশিত দলীয় নৃত্য-নাট্য ধৰ্মী একো একোটা অনুষ্ঠান। ই কোনো এক জনগোষ্ঠীৰ সাংস্কৃতিক চেতনা অভিজ্ঞাপন কৰাৰ বিশিষ্ট মাধ্যম। ই প্ৰায়ে মুখ পৰম্পৰা ৰূপে চলি থাকে। পৰিৱেশ্য কলা পৰম্পৰীণ, কিন্তু সকলো পৰম্পৰীণ অনুষ্ঠেয় কলাই পৰিৱেশ্য কলা নহয় ই প্ৰায়ে বৃত্তিমূলক নহয়, অৱশ্যে পৰিস্থিতি বিশেষে ই বৃত্তিমূলকো হ'ব পাৰে ই বিশেষ এক গোষ্ঠী বা সম্প্ৰদায় সম্ভূত হ'লেও এই বিশেষত্বটো সকলো সময়তে পৰিলক্ষিত নহয়।

আধুনিক লোকতত্ত্ববিদসকলে 'লোক পৰিৱেশ্য কলা'ক প্ৰথম অস্তিত্ব আৰু দ্বিতীয় অস্তিত্ব — এই দুইশ্ৰেণীত ভাগ কৰিছে। প্ৰথম অস্তিত্বত ই কোনো এটা জনগোষ্ঠী বা সাংস্কৃতিক সম্প্ৰদায়ৰ জীৱনৰ সৈতে অবিচ্ছেদ্য অংগ হৈ থাকে আৰু দ্বিতীয় অস্তিত্বত প্ৰকাৰ্যাত্মকভাৱে ই জনগোষ্ঠী বা সাংস্কৃতিক সম্প্ৰদায়ৰ জীৱনৰ লগত অপৰিহাৰ্য অংগ ৰূপে নাথাকে, মাত্ৰ অনুৰাগী কেইজনমানৰ মাজতহে ই সীমিত থাকে।

'লোক পৰিৱেশ্য কলা'ৰ প্ৰথম অস্তিত্ব গতিশীল আৰু বৈবিধ্যমূলক। কিন্তু ইয়াৰ দ্বিতীয় অস্তিত্ব অনেক ক্ষেত্ৰত সুস্থিৰ বা গতিবিহীন। উদাহৰণস্বৰূপে পাতি ৰাভাসকলৰ এটি জনপ্ৰিয় লোক পৰিৱেশ্য কলা 'হানাঘোঁৰা' — ইয়াৰ প্ৰথম অস্তিত্বত ই গতিশীল আৰু বৈবিধ্যমূলক, কিন্তু ইয়াৰ দ্বিতীয় অস্তিত্ব অনেক পৰিমাণে সুস্থিৰ আৰু গতিবিহীন।

**লোক পৰিৱেশ্য কলাৰ শ্ৰেণী ঃ**

লোক পৰিৱেশ্য কলা ৰীতিয়ে দক্ষিণ কামৰূপৰ লোক সংস্কৃতিত বৈচিত্ৰ্য প্ৰদান কৰিছে। ইয়াৰ পৰিসৰ অতি ব্যাপক। লোক পৰিৱেশ্য কলা নাট (Folk drama), লোকগীত (Folk songs) আৰু লোক নৃত্যৰ (Folk dance) ৰ সমলয় মাথোন।

দক্ষিণ কামৰূপত কেইবাবিধো লোক পৰিবেশ্য কলা পূৰ্বাপৰ প্ৰচলন হৈ আহিছে, ১) ঢুলীয়া ২) ওজাপালি ৩) পুতলা নাচ ৪) ৰানগালা ৫) হানাঘোঁৰা ৬) ফাৰক্ৰান্তি। অৱশ্যে এইবোৰৰ বাহিৰেও অন্য কোনো পৰিৱেশ্য কলা দক্ষিশ কামৰূপ অঞ্চলত আছিল বা থাকিব পাৰে।

**ঢুলীয়া ঃ**

দক্ষিণ কামৰূপৰ অন্যতম লোক পৰিৱেশ্য কলা হ'ল ঢুলীয়া। অৱশ্যে অসমৰ অন্যান্য ঠাইতো ঢুলীয়াৰ প্ৰচলন আছে। ঢুলীয়া প্ৰধানত ধৰ্মীয় মাংগলীক আৰু সামাজিক উৎসৱৰ সৈতে গভীৰভাৱে সংযুক্ত হৈ আছে। ঢুলীয়া দলে সভামেলা গোৱা, বিয়া বাৰু আদিৰ প্ৰসংগত নৃত্য-গীতসহ ঢোল বজোৱাৰ উপৰি কুষ্টি প্ৰদৰ্শন কৰে আৰু চং বা অভিনয় দেখুৱায়। ঢুলীয়া দলত বহুবোৰ অনাক্ষৰী শিল্পী জড়িত হৈ থাকে। ঢুলীয়াৰ প্ৰধান সম্পদ ঢোল — এই অঞ্চলত সাধাৰণতে বৰঢোল, দাহীঢোল, ঢেপাঢোল, পাতিঢোল, জয়ঢোল, বাজাঢোল বজোৱা হয়। বৰঢুলীয়া দলত ঢোল সজাব পৰা শিল্পীও থাকে।

পৰিবেশন পদ্ধতি অনুসৰি দক্ষিণ কামৰূপৰ ঢুলীয়াক প্ৰধানতঃ চাৰিটা ভাগত ভাগ কৰিব পাৰি[৪] — ১। পূজা-পাতল গোৱা ঢুলীয়া, ২। সভা গোৱা ঢুলীয়া (সভা-গোন্ধ গোৱা ঢুলীয়া), ৩। বিয়া-সবাহ গোৱা ঢুলীয়া, ৪। ঠেৰঠেৰীয়া ঢুলীয়া।

**পূজা পাতল গোৱা ঃ**

পূজা-পাতল আৰু মাংগলীক অনুষ্ঠান আদিত চাৰি-পাঁচজন ঢুলীয়াই ঢোল, তাল, কালিয়া আদি ব্যৱহাৰ কৰা দেখা যায়। এইসকল ঢুলীয়াই বৰঢোল, দাহীঢোল, ব্যৱহাৰ কৰে। ঢুলীয়া দলে পূজাৰ বাবে পানীতোলা, আৰতি কৰা, পূজাৰ আৰিয়া থোৱালৈকে বিভিন্ন সময়ত বিভিন্ন বাজনা বজায়। মাৰে পূজা, দৰ্গা পূজা, লক্ষ্মী পূজা, কালী পূজা আদিত দেৱীৰ সন্তুষ্টিৰ বাবে বেলেগ বেলেগ ঢোলৰ বাজনা বজোৱা হয়। মাৰে পূজাত দেওধনীৰ গাত লম্ভা বিষহৰিৰ সন্তুষ্টিৰ বাবে সুকীয়া বাজনা বজোৱা হয়। ঢোলৰ লগতে কালী আৰু ঢাক ব্যৱহাৰ কৰা মাৰে পূজাৰ ঢুলীয়াই পৰিৱেশন কৰা বাজনাৰ স্বৰ এনেধৰণৰ —

গিন্ গিন্ গিনটেই গিন্
গিনিটেই গিগ্‌গান্ খিতিতেই গেন
তেই তেই তেই খীত
গিনিটেই গিগ্‌গান্ খিতিতেই গেন

তেই তেই তেই খিতিতেই গেন।[৫]

সবাহ-গোন্ধ গোৱা ঢুলীয়া ঃ দক্ষিণ কামৰূপৰ সবাহ গোন্ধ গোৱা ঢুলীয়াৰ এক বিশেষ স্থান আছে। বিভিন্ন সবাহ উপলক্ষে বিভিন্ন ঢুলীয়া দলৰ দ্বাৰা ঢোল বাদন কৰাৰ উপৰি নানা কলাশৈলী, নৃত্যগীত, চং আৰু কৃষ্টি আদি পৰিবেশন কৰা হয়।

সবাহ গোৱা ঢুলীয়া আগৰ কালত ৬০/৭০ জনমান বিভিন্ন বয়সৰ শিল্পীৰে গঠিত হৈছিল। তাৰে বয়সীয়া লোক এজন বৰঢুলীয়া বা মুখ্য ঢুলীয়া হয়, তেওঁক বাইন বুলিও কোৱা হয়। অংকীয়া ভাওনাৰ দৰে বাইন ঢুলীয়াই দলটো পৰিচালনা কৰাৰ উপৰি প্ৰযোজক, পৰিচালক, ভাওদিয়া, গীত গোৱা নিৰ্দেশ দিয়া আদি সকলো কাম কৰে। তেওঁৰ বাহিৰেও দলত ঢুলীয়া, বায়ন, গাইন বা গায়ক, তালুৱৈ, ভাওৰীয়া বা ভাইৰা, আৰিয়া ধৰা, কৃষ্টি প্ৰদৰ্শনকাৰী ঢুলীয়া, চঙত অভিনয় কৰা ঢুলীয়া আৰু ছোক্ৰা। সবাহ গোৱা ঢুলীয়াই বিভিন্ন নৃত্যভংগী প্ৰদৰ্শন কৰাৰ উপৰি বিবিধ গীত পদো আবৃত্তি কৰে। যেনে —

আহা আহা আহা আহা। বাপু বলোৰাম আহা আহা।।
আজিও ঢুলীয়া কাছনা। বাবলৈ নাজানা আহা আহা।।
অ মুৰত তোলা নাই ফুলে ঐ। অ বাপু বলোৰাম আহা ঐ।।
অ উজনিত নামৰ ঘৰ। দেখোতে ভয়ংকৰ। কৰতে কাটিলা ৰুৱা না লই।
কি ঐ বেতক বান্ধিলা। বান্ধা আটি আটি। নাম লম গধূলি পুৱা না লই।।[৬]

ঢুলীয়া শিল্পীসকলে ৰঙীন পখৰা চিতৰা কিছু আচহুৱা ধৰণৰ পোছাক পিন্ধে। মুখমণ্ডলত পিঠা গুৰি বা আটাৰ গুৰি সানি লোৱা দেখা যায়। ভাওৰাসকলে ৰঙীন টুপী পিন্ধে। কাঠ বা তামোলৰ ঢকুৱাৰে নিৰ্মিত মুখা পৰিৱেশন কৰা দেখা যায়। মুখাবোৰ শিল্পীসকলে নিজেই সাজি লয়।

যিখন মঞ্চত ঢুলীয়া পৰিৱেশন কৰা হয় সেই মঞ্চখনক খলা বোলা হয়। এইখন দীঘে প্ৰায় ২০/২২ ফুট আৰু প্ৰস্থই ১০/১২ ফুট হয়। খলাখনক মুকলি মঞ্চও বুলিব পাৰি।

ঢোল বাদনাৰ সামৰণিৰ অন্তত ঘাই ঢুলীয়াজনে আন এজন তালুৱৈক লগত লৈ সৰু ঢোল এটা বজাই খলা ফুৰণি কৰে। খলা ফুৰণিৰ পিছত প্ৰধান ভাওৰাই বহুৱালি গীত গায়। তেনে এটি বহুৱালি গীতৰ একাংশ এনেধৰণৰ —

দিহা — মুখখান তোৰ চানাৰ চুনুৰ কৰে নিদাৰুনি মাই
মুখখান তোৰ চানাৰ চুনুৰ কৰে।
পদ — সৰুজনী উঠি বোলে ডাঙৰজনী বাই।
পাচালাৰ আঞ্জা খাবাৰ বৰ মন যায়।
গোবৰ পেলাবা যাওঁতে পাচালা আছিল জানি।
পাচালা কাটি আনে ষোল্লজনৰ সাঙি।
পাচালা কাটিলা বেটি একহাতীয়া কৰি।
পাচালাত পানী দিলা মানুহ সমান কৰি।
পাচালা ৰান্ধিলা জেনি ৰাহে আৰু পাগে।

আন এটা গীত —

বাপু নতুন কবিৰাজ অ' আস্তে আস্তে যাবা লাগছে
কিমান দূৰৰ বাট বাপু নতুন কবিৰাজ
জাৰিতে জাৰিতে পালু মুই কমৰ
কমৰলেগি জাৰিলি মোৰ হয় ধমৰ মৰ
জাৰিতে জাৰিতে পালু মুই আঠু
আঠুকলেগি জাৰিলি মোৰ হয় উকা ধাতু ... আদি

সবাহ গোৱা ঢুলীয়াই বিভিন্ন কৃষ্টি প্ৰদৰ্শন কৰে। তাৰ ভিতৰত বিভিন্ন খোট, যেনে — ওলোটা খোট, আলগা খোট, দুজন সংযুক্ত হৈ দিয়া খোট, চ্ছুযপ্ত টা ঢোলৰ ওপৰৰ পৰা মৰা খোটেই প্ৰধান। ঢুলীয়া দলে পৰিৱেশন কৰা এনেবোৰ কৃষ্টি বৰ্তমানে আন্তৰ্জাতিক এথ্‌লেটিক গেমছ আদিত উন্নত ৰূপত দেখা যায়।

ঢুলীয়াই পৰিৱেশন কৰা ঢুলীয়া নাটক বা চং দৰ্শকৰ বাবে অতি মনোগ্ৰাহী। এই চংবোৰৰ বেছিখিনি সামাজিক ঘটনা কিছুমানকলৈ ৰচনা কৰা হয় যদিও ইয়াৰ লিখিত ৰূপ প্ৰায়ে থকা দেখা যায়। চংবোৰৰ বিষয়বস্তু, কাহিনী, সংলাপ, কলা-নিদেৰ্শনা আদি সকলো দলটিৰ নিজস্ব মৌখিক কলাশৈলী। ইয়াত কেইখনমান জনপ্ৰিয় চং উল্লেখ কৰা হ'ল — বিস্কুত ডকাইতৰ চং, পণ্ডিতৰ চং, বৈষ্ণৱী চং, পাগলাৰ চং, বিয়া ভঙা চং। সত্তৰৰ দশকলৈ দক্ষিণ কামৰূপত কেইবাটাও বিখ্যাত ঢুলীয়া দল আছিল। তাৰে ভিতৰত ৰাজা পুখুৰীৰ ঁজগাৰু ঢুলীয়াৰ নাম অসমৰ সাংস্কৃতিক বুৰঞ্জীত উল্লেখনীয়। ঠৈৰঠৈৰীয়া ঢুলীয়া দলৰ নাচনবোৰ মনকৰিবলগীয়া (বৰিপাৰা, ভাটিপাৰাত ঠৈৰঠৈৰীয়া ঢুলীয়া আছে)।

ওজাপালি ঃ

দক্ষিণ কামৰূপৰ লোক পৰিৱেশ্য কলাৰ ভিতৰত আন এটি হ'ল ওজাপালি। ওজাপালি মূলতঃ পূজা-পাতলৰ সৈতে বিশেষভাৱে জড়িত। জীৱন্ত পৰিৱেশ্য কলা ওজাপালি গীত, নৃত্য আৰু অভিনয়ৰ সমন্বয়। ওজাপালি প্ৰধানকৈ দুবিধ এবিধ বিষ্ণুপূজাৰ লগত জড়িত ব্যাসগোৱা ওজাপালি বা সভাগোৱা ওজাপালি আৰু আনবিধ সৰ্পদেৱী মনসা-পদ্মা আৰু তুকুৰীয়া দেৱীৰ পূজাৰ লগত জড়িত ওজাপালি।

ব্যাসগোৱা ওজাপালিক (ক) সভা গোৱা ওজাপালি (খ) ৰামায়ণ গোৱা ওজাপালি (গ) ভাউৰা ওজাপালি (ঘ) দুৰ্গাবৰী ওজাপালি (ঙ) সত্ৰীয়া ওজাপালি (চ) পাঞ্চালী ওজাপালি (ছ) দুলড়ী ওজাপালি। ইয়াৰে ভিতৰত সভাগোৱা ওজাপালিহে দক্ষিণ কামৰূপত প্ৰচলিত আছে। ওজাপালি দলত ছয়-সাতজন শিল্পী থাকে। তাৰে এগৰাকী ওজা, এগৰাকী দায়নাপালি আৰু কেইগৰাকী পালি। ওজাই লগাই দিয়া গীতৰ ধুৱা অংশ দয়নাপালি আৰু পালিসকলে আবৃত্তি কৰে বা গাই যায়। দায়নাপালি আৰু পালিসকলে খুঁটিতাল বজায়। মাজে মাজে ওজা আৰু দায়নাপালিয়ে অলিখিত আৰু পূৰ্ব নিৰ্দিষ্ট নোহোৱা সংলাপ পৰিৱেশন কৰি কাহিনী অংশ শ্ৰোতা-দৰ্শকক বুজাই যায়। সভাগোৱা ওজাপালিয়ে বিভিন্ন প্ৰকাৰে নৃত্য নাট প্ৰদৰ্শন কৰে। সেইবোৰৰ ভিতৰত ময়ুৰ নাচ, হংসিনী নাচ, ধুপুনী নাচ, নটুৱা নাচ, পাৰোৱা ঘূৰণি নাচ প্ৰধান। নাচনৰ উপৰি ওজাপালিৰ চলন গতি মন কৰিবলগীয়া। সভাগোৱা ওজাপালিয়ে ক্ৰমে হংসিনী, হস্তিনী, সাৰ্পিলি, মৈৰা আদি বিভিন্ন গতি চলনেৰে শ্ৰোতা দৰ্শকক পদৰ অৰ্থ স্পষ্টকৈ বুজাই যায়।

মহাকাব্য অনাশ্ৰয়ী পদ্মা-মনসাৰ লগত জড়িত ওজাপালিক কেইটামান উপশ্ৰেণীত ভাগ কৰা হৈছে। যেনে — (ক) সুকন্নানী বা ৰংগোৱা ওজাপালি (খ) বিষহৰি গান (গ) মাৰৈ পূজাৰ গান বা মাৰেগান (ঘ) পদ্মাপুৰাণৰ গান (চ) তুকুৰীয়া ওজাপালি আৰু (চ) গীতালুগীত। দক্ষিণ কামৰূপত সুকন্নানী, মাৰেগান আৰু তুকুৰীয়া ওজাপালিৰ প্ৰচলন আছে। আজাৰা, ৰাণীচাপৰি, ৰাজাপুখুৰী, ছয়ানী আদি অঞ্চলত সুকন্নানী পৰিৱেশন কৰা হয়। মাৰৈ পূজাত এইবিধ ওজাপালিয়ে গীত-পদ-নৃত্য পৰিৱেশন কৰে বাবে ইয়াক মাৰৈ পূজা গোৱা ওজাপালিও বোলা হয়। এই বিধ ওজাপালি পালিৰ ওজাই তাল নবজায়, পালিসকলেহে সোঁহাতেৰে ব্যাস ওজাপালিৰ দৰে খুটিতাল বজায়। এই ওজাপালিকো এজন ওজা, এজন দাইনাপালি, দুজন বা তিনিজন গোৱাপালি আৰু চাৰি জন আগ পালি থাকে। সুকন্নানী ওজাপালিৰ গীত আৰু নৃত্যত লোকসংগীতৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। সুকন্নানী ওজাপালিয়ে মিৰা নাচন, পাৰোৱা সুৰনী নাচন, ৰূপহী নাচন আদি প্ৰদৰ্শন কৰে। সেইদৰে মৈৰাবুলন, হস্তি বুলন, ধুপুনি বুলন সুকন্নানী ওজাপালিৰ পদ চলন।

মাৰেগান দক্ষিণ কামৰূপৰ ছয়গাঁও, বামুণীগাঁও, বকো, খাটলপাৰা, নোৱাপাৰা, তাৰাবাৰী, শাখাটি, হাহিম, মালাং আদি অঞ্চলৰ পাতিৰাভা আৰু বৰো কছাৰীসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আছে। সৰ্পদেৱী বিষহৰি বা বৰমানী পূজাৰ, মাৰেপূজাৰ প্ৰসংগত মাৰেগান অনুষ্ঠিত হয়। মাৰেগানৰ লগত দেধানী বা দেওধানী অপৰিহাৰ্য। এইবিধ পৰিৱেশ্য কলা গীত-পদ-নৃত্য আৰু অৰ্ধনাটকীয় অভিনয়ৰ সমষ্টি। মাৰেগানৰ ওজা আৰু পালিয়ে পাতিৰাভাসকলৰ মাজত যুগ-পৰম্পৰাৰূপে প্ৰচলিত বিষহৰি বিষয়ক লোক-মহাকাব্যৰ পৰা গীত পদ গায়। মাৰেগানত এজন ওজা আৰু কেইজনমান পালি থাকে। বহা আৰু থিয় অৱস্থাতে মাৰেগানৰ ওজা আৰু পালিয়ে গীত পদ আবৃত্তি কৰে। প্ৰসংগবিশেষে দেধানীয়ে হাতত বেট আৰু বিচনী লৈ অনুকৰণাত্মক অভিনয় প্ৰদৰ্শন কৰে।

মাৰেগানৰ নিচিনাকৈ তুকুৰীয়া ওজাপালিও পাতিৰাভাসকলৰ এবিধ জনপ্ৰিয় পৰিৱেশ্য কলা। অৱশ্যে বৰ্তমান ই সংকুচিত হৈ কেৱল বকোৰ ওচৰৰ খাটলপাৰাতহে সীমিত হৈ পৰিছে। তুকুৰীয়া অৰ্থাৎ নাৰায়ণী ভগৱতী পূজাৰ প্ৰসংগতহে তুকুৰীয়া ওজাপালি অনুষ্ঠিত হয়। এইবিধ ওজাপালিৰ একোটি দলত সাধাৰণতে এজন ওজা আৰু চাৰিজন পালি থাকে। পালি চাৰিজন একেশাৰীতে বহে আৰু সোঁমাজতে ওজাজন বহে। তুকুৰীয়া ওজাপালিয়ে বহা অৱস্থাতে যুগ-পৰম্পৰা প্ৰচলিত তুকুৰীয়া গীত অংগ-ভংগীমাসহ আবৃত্তি কৰে। মাৰেগানৰ নিচিনাকৈ তুকুৰীয়া ওজাপালিতো এজনী বা দুজনী দেধানী থাকে। দেধানী বা দধানীয়ে কাহিনীভাগৰ অৰ্ধ-নাটকীয় সমলৰাশি নৃত্যসহ অভিনয় কৰি দেখুৱায়। তুকুৰীয়া গীতবোৰ বৰ আকৰ্ষণীয়। ইয়াত এফাঁকি উদ্ধৃত

কৰিলো —

ধিং জাং লাগে যাং
লগে লগে জাং
ফুলপাৰীয়া মেখেলা পিন্ধি
ময়ো আগে জাং
আই নাৰায়ণী বুলে ময়ো আগে জাং
কাছু-কামাৰী বুলে ময়ো আগে জাং
ঘৰদেৱতী আই বুলে ময়ো আগে জাং
ৰথাৱলী আই বুলে ময়ো আগে জাং
কাচাইখাইতী আই বুলে ময়ো আগে জাং
দুধকুঁৱৰী আই বুলে ময়ো আগে জাং .... আদি

লাঙা বুঢ়াক মাতি আসন পতা গীত

দক্ষিণ কুলত বুঢ়া লাঙা বাপু এ হে
এহে কাকাৰ কুচিয়া খাবাকে নাপায় এহে
আগে আছিলুং কোছ ছালি
ৰাভাত গেলুং জাতি
এতিয়াহে হৈছু মুই বাপুহে
ৰাভাৰ গিয়াতি
গৰঙে গৰঙে ফুৰে বাপুহে
এহে এহে
হানা হানা কাকাবা ঘুকি এহে

ওজাপালিক প্ৰধানকৈ আংগিক অভিনয়সূচক পৰিৱেশ্য কলা হিচাপে আখ্যা দিব পাৰি। ওজাপালিত সমস্ত শৰীৰৰ অংগ-প্ৰত্যংগৰ অংগী-ভংগীৰে বিষয়বস্তু উপস্থাপন কৰা দেখা যায়। ইয়াৰ আন এটি উল্লেখনীয় দিশ হ'ল আহাৰ্য, ই নিৰ্ভৰ কৰে শিল্পীসকলে পৰিধান কৰা পোছাক, অয়-অলংকাৰ আৰু তিলক আদিৰ ওপৰত। বাহুল্যৰ ভয়ত আহাৰ্যৰ পুংখানুপুংখ বৰ্ণনাৰ পৰা অনিচ্ছা সত্বেও আঁতৰিলো।

**পুতলানাচ ঃ**

দক্ষিণ কামৰূপ অঞ্চলৰ এটি অতি প্ৰাচীন ঐতিহ্যপূৰ্ণ লোক পৰিৱেশ্য কলা হ'ল পুতলা নাচ। অৱশ্যে বৰ্তমানে ই এটা মৃতপ্ৰায় কলাত পৰ্যবসিত হৈছে। এসময়ত এই পুতলানাচৰ জনপ্ৰিয়তা তুংগত আছিল।

পুতলা নচুৱাৰ বাবে এটা গুবহ জনীয়া শিল্পীৰ দল থাকে। মঞ্চৰ আঁৰকাপোৰৰ আঁৰত পুতলা নচুওৱা সুত্ৰধাৰ থাকে; তেওঁ একেৰাহে পুতলা নচুওৱাৰ উপৰি দল পৰিচালনাও কৰে। পুতলা নাচত অভিনায়িক কাৰ্য প্ৰধানকৈ অনুষ্ঠিত কৰা হয়। এই অভিনয় আৰম্ভ হয় পূৰ্ববংগেৰে। ইয়াত গায়ন-বায়নো থাকে। পুতলানাচৰ অভিনয়ৰ যোগেদি নৱৰসৰ উদ্ৰেক কৰাৰ চেষ্টা কৰা হয় যদিও হাস্যৰসৰহে অৱতাৰণা হোৱা দেখা যায়। পুতলা বিলাকৰ গঢ়ন, আকাৰ আৰু আকৃতিৰ ভিত্তিত চাৰিভাগত ভাগ কৰা হয় — (ৰ) কাঠ পুতলা, (চ) হাত পুতলা, () মাৰি পুতলা, (ছ) ছাঁ পুতলা।

পুতলানাচ এসময়ত দক্ষিণ কামৰূপত অতি জনপ্ৰিয় আছিল। পলাশবাৰী, উপৰহালী, মনিয়েৰী তিনিআলি আদি ঠাইৰ পুতলানাচৰ দলবিলাকৰ কদৰ আৰু আদৰ এতিয়াও বয়োবৃদ্ধ লোকে স্মৰণ কৰে।

**ওৱানগালা ঃ**

দক্ষিণ কামৰূপৰ এটি অন্যতম জনগোষ্ঠী হ'ল গাৰোসকল। তেওঁলোকৰ আটাইতকৈ শ্ৰেষ্ঠ আৰু মন পৰশা অনুষ্ঠান হ'ল 'ওৱানগালা'।[৮] ই মূলতঃ কৃষি ভিত্তিক অনুষ্ঠান। সাধাৰণতে আহিন-কাতি মাহত খেতি চপোৱাৰ সময়ত ইয়াক অনুষ্ঠিত কৰা হয়। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট বাৰ, তাৰিখ বা তিথি নাই। ঝুমখেতিত উৎপাদিত বিভিন্ন প্ৰকাৰৰ শস্যাদি চপোৱাৰ কৃতজ্ঞতাৰ চিন স্বৰূপে শস্যদেৱতা মিছিচালজং বা চালজং (সূৰ্য)লৈ মদ আৰু মাংসৰে ভৱিষ্যতলৈ অধিক শস্য কামনা কৰি আনুষ্ঠানিকভাৱে খামাল বা পুৰোহিতৰ দ্বাৰা প্ৰাৰ্থনা জনোৱা হয়। এই অনুষ্ঠানৰ প্ৰস্তুতি অৱশ্যে খেতিৰ আৰম্ভণি সময়ৰ পৰাই চলে। খেতি চপোৱাৰ পিছত সমজুৱাভাৱে মিলি দিন-বাৰ ঠিক কৰা হয় আৰু সেইদিনা গাঁৱৰ নক্‌মা (গাঁওবুঢ়া)ৰ ঘৰত শস্যৰ দেৱতাৰ নামত পূজা পতা হয় আৰু এসাজ লগভাত খায়। পিছদিনা পুৱা গাঁওবাসী নক্‌মাৰ ঘৰলৈ আহে আৰু 'গাকাত' (কোনো ৰথতে চাকাত) পৰ্ব পালন কৰে।

ওৱানগালা প্ৰধানতঃ নৃত্যপ্ৰধান পৰিৱেশ্য কলা। ওৱানগালা নৃত্যত প্ৰথমে এজনী গাভৰুৱে ৰন্ধা ভাত কুলাত লৈ নাচি নাচি ঘৰৰ মজিয়াত ভাত ছটিয়াবলৈ ধৰে আৰু খামাল বা নক্‌মাজনে পৰম্পৰাগত সাজ পৰিধান কৰি ঢাল, তৰোৱাল লৈ ৰাং, খ্ৰাম, ডামা, বাংসিৰ তালে তালে যুদ্ধ কৰাৰ দৰে অভিনয় যুদ্ধ নৃত্য কৰে। নক্‌মাৰ ঘৰতে আৰম্ভ হোৱা এই নৃত্য পাছলৈ গোটেই গাঁওখনত বিয়পি পৰে। নৃত্যৰ সময়ত

গাৰোসকলৰ বীৰত্বৰ কথা, পূৰ্ব পুৰুষৰ গৌৰৱময় বৰ্ণনামূলক গীত পৰিৱেশন কৰা হয়। প্ৰত্যেক মানুহে 'চু' প্ৰস্তুত কৰি খায়।

ওৱানগালা নৃত্যৰ সময়ত পৰম্পৰাগত সাজ পৰিধান কৰি প্ৰধানতঃ তিৰোতাসকলেহে নৃত্য কৰে আৰু পুৰুষসকলে শাৰী পাতি থিয় হৈ বিভিন্ন বাদ্য বজায়। যুদ্ধত ব্যৱহাৰ কৰা মিলাম (তৰোৱাল) আৰু স্পাই (ঢাল) লৈ নৃত্য পৰিৱেশন কৰা হয়। তাৰোপৰি এই সময়ত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰবোৰ হ'ল খ্ৰাম, নৰ্ডিক, নেঙিলছে, আডিল, ডামা, বাংসী, ৰাং, চাৰেন্দা।

সম্প্ৰতি ওৱানগালা প্ৰতিযোগিতামূলকভাৱে অনুষ্ঠিত কৰা হয়। গোহালকোণাত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

**হানা ঘোঁৰা ঃ**

হানাঘোঁৰা বকো অঞ্চলৰ নিজস্ব লোক পৰিৱেশ্য কলা, ই বড়ো-ৰাভা-গাৰোৰ সমন্বয়ৰ প্ৰতীক। ৰাইজৰ অপায় দূৰ হোৱাৰ বিশ্বাসেৰে 'লাঙা' পূজা কৰি গাঁৱত 'হানাঘোঁৰা' নচুৱায়। ব'হাগ বিহুৰ আগতে বাঁহ কাটি কামি তৈয়াৰ কৰি তমাল বা অন্যপ্ৰকাৰে ঘোঁৰাৰ আকৃতিৰ এটি অবয়ব তৈয়াৰ কৰা হয়। ইয়াৰ ওপৰত কলা কাপোৰ, ঠাই বিশেষে বগা কাপোৰ মেৰিয়াই সাইলাখ ঘোঁৰাৰ প্ৰতিকৃতি এটি নিৰ্মাণ কৰা হয়। হানাঘোঁৰাৰ মূৰত দেও ছাগলীৰ শিং এযোৰ লগাই দিয়া হয় - যাতে হানা ঘোঁৰাই অলৌকিক মাহাত্ম্য প্ৰকাশ কৰে। মালাংৰ গাৰোসকলে ঘোঁৰাটো কাঠেৰে সাজে। মূৰত সেন্দুৰ ঘহে। ইয়াক 'গোৰে বদলা' বোলা হয়।

হানাঘোঁৰা সাজি উলিওৱাৰ পিছত ব'হাগ বিহুৰ দিনাখন কোনো ৰাজহুৱা স্থানত নাইবা গোঁসাই ঘৰৰ প্ৰাঙ্গনত 'লাঙা পূজা' পতা হয় আৰু পূজাৰ পিছত হানাঘোঁৰা লৈ গাঁও ফুৰোৱা হয়। মানুহে হানাঘোঁৰাক অতি পবিত্ৰভাৱে সেৱা জনায় আৰু কুকুৰাৰ কণী, চাউল, পইচা প্ৰভৃতি দিয়ে। (ব'হাগ বিহুৰ সাতদিন ধৰি হানাঘোঁৰা নচুওৱাৰ অন্তন বকোৰ সুঁৱৰিত নচুৱাই পিছদিনা ঘোঁৰা পোতা হয়। ক'ৰবাত ইয়াক জাৰীঘোঁৰাও বোলা হয়। নধিয়াপাৰা, দেলীয়াপাৰা গাঁৱত জাৰীঘোঁৰা বোলা হয়। তাত ঘোঁৰা পুতি নথৈ লাঙামাৰা গৃহৰ চাঙত সযতনে ৰাখি থোৱা হয়।)

হানাঘোঁৰা সম্পূৰ্ণৰূপে লোক পৰিৱেশ্য কলা। ইয়াত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰবোৰো লোকবাদ্য। সেইবোৰ হ'ল — গাৰো কদাল, ঘুমাং মাদল, বাঁহী, ম'হৰ শিঙৰ শিঙা। হানাঘোঁৰা নাচি যাওঁতে আগে আগে শিঙা বজাই যোৱা হয়। ইয়াৰ সৈতে জড়িত লোক গীতখিনি অসমীয়া লোক সংগীতৰ অমূল্য সম্পদৰূপে স্বীকৃতি পাবৰ যোগ্য। অৰ্ধ নাটকীয় অভিনয় অংশৰ সৈতে গীতবোৰ স্বাভাৱিকভাৱে সামঞ্জস্যপূৰ্ণ। উদাহৰণ —

হানাঘোঁৰা নাচিছে
মাহি ঐ চৰে ডিমা খুজিছে
হৈ হৈ হৈ হৈ এ
..... ..... ..... .....
আজিৰ পৰা বৰত যায়
আজিৰ পৰা চতৰ যায়
মাহী ঐ নাচং ঘূৰি ঘূৰি
মাহী ঐ বেলা বহিল চাকত

বকো অঞ্চলৰ লাম গাঁও, নিচিমপুৰ, লাঙলকোনা, দাখিলিপাৰা, মালাং, খাটিৰা; ৰাণীৰ লোহাৰঘাট অঞ্চলৰ আলিহা, মহমাৰাং, ৰাজাপাৰা প্ৰভৃতি ঠাইত পৰম্পৰাগতভাৱে হানাঘোঁৰা নচুওৱা হয়। অৱশ্যে আগৰ উছাহ এতিয়া স্তিমিত হৈছে।

**ফাৰকান্তি ঃ**

ৰাভাসকলৰ মাজত প্ৰচলিত ধৰ্মীয়কৃতৰ লগত সংযুক্ত লোক পৰিৱেশ্য কলাৰ ভিতৰত ফাৰক্ৰান্তি অন্যতম। মৃতকৰ শ্ৰাদ্ধকৃতৰ নামেই ফাৰক্ৰান্তি। কোনো মৃতকৰ শ্ৰাদ্ধৰ দিনা তেওঁৰ পৰিয়ালৰ লোকে ইনাই-বিনাই বিলাপ কৰে। এই বিলাপৰ পৰাই ফাৰক্ৰান্তি গীত আৰু নৃত্যৰ সৃষ্টি হৈছে। এই নৃত্যৰ লগত 'কাণ টুকুৰী' নামৰ সৰু তল, কাড়া, বাঁহী, খাম, কাঁহ, শিঙা আদি বাদ্য সংগত কৰা হয়। ডেকা-গাভৰু উভয়ে ফাৰক্ৰান্তি নৃত্যত অংশগ্ৰহণ কৰে। ডেকা-গাভৰুসকলে হাতত ঢাল-তৰোৱাল লৈ বীৰৰস প্ৰকাশক নৃত্যভংগী প্ৰদৰ্শন কৰে। ফাৰক্ৰান্তি নৃত্যত বাঁহ আৰু কাঠেৰে নিৰ্মিত এবিধ বাদ্য বজোৱা হয়। ইয়াৰ দুটা অংশ, মাঞ্চেলেংকা আৰু বাতিকটিকা। এই বাদ্য যন্ত্ৰত নিহিত থকা মাঞ্চেলেংকা আৰু বাতিকটিকা এই চৰাই দুটি মৃতকৰ আত্মা ৰূপে ব্যৱহাৰ হয়। তেনেহ'লে এই দুটা প্ৰতীক।

দক্ষিণ কামৰূপৰ লোক পৰিৱেশ্য কলাৰ ভিতৰত নাগাৰা নাম, দেওধনী আৰু মহোহোকো কোনো কোনোৱে সামৰিব খোজে। অৱশ্যে নাগাৰা নাম নৱ বৈষ্ণৱ প্ৰাদুৰ্ভাৱৰ ফলত সৃষ্টি পৰিশীলিত অনুষ্ঠান। ইয়াত কিছু পৰিমাণে হ'লেও

মুদ্ৰাভংগী আৰু অৰ্ধ নাটকীয় উপাদান আছে। দেওধানী মাৰেগানৰ সৈতে সংযুক্ত কাৰণে ইয়াক সুকিয়াকৈ আলোচনা কৰিব নোৱাৰি। মহোহো লোকপৰিৱেশ্য কলাৰ পৰিৱৰ্তে লোককলাহে। পাওৱা দেউ নচুৱা অনুষ্ঠানতো কিছুপৰিমাণে হ'লেও পৰিৱেশ্য কলাৰ চৰিত্ৰ নিহিত আছে।

**পৰিৱেশ্য কলাসমূহৰ বৰ্তমান স্থিতি ঃ**

দক্ষিণ কামৰূপৰ লোক পৰিৱেশ্য কলাসমূহ বৰ্তমানে প্ৰাণৱন্ত ৰূপত জীয়াই আছে বুলি ক'ব নোৱাৰি। ঢুলীয়া, পুতলা নাচ, ওজাপালি আদি কলাসমূহ প্ৰায় সীমিত হৈ আহিছে। যি দুই এটা জীয়াই আছে সেইবোৰো দলগত চেষ্টাতহে বৰ্তি আছে। সুকন্নানী, মাৰোগোৱা ওজাপালি জীয়াই আছে যদিও সবাহ গোৱা ওজাপালি জীউ ঢক পাণ ঢককৈহে বৰ্তি আছে। জনজাতীয় লোক পৰিৱেশ্য কলাসমূহৰ ভিতৰত হানাঘোঁৰাৰ প্ৰদৰ্শনকামীতাখিনি বাদ দিলে মূল কালিকা হেৰোৱাৰ উপক্ৰম হৈছে। ফাৰক্ৰান্তি বিহু মঞ্চত সুন্দৰভাৱে বৰ্তি আছে।

ঢুলীয়া, পুতলানাচ আদি ক্ৰমশঃ বিলুপ্ত হৈ যোৱাৰ কাৰণবোৰ বিচাৰ কৰাৰ অতি প্ৰয়োজন। আমাৰ বোধেৰে এইবোৰৰ ব্যৱসায়িক দিশ স্বচ্ছল নহয়; ফলত শিল্পীসকলে সেইবোৰকে আশ্ৰয় কৰি জীয়াই থকাৰ সম্বল গোটাব নোৱাৰে। শিক্ষিতচামো এইবোৰৰ প্ৰতি অনাগ্ৰহী বা নিৰ্বিকাৰ। আধুনিক সভ্যতাৰ নৱনিৰ্মিত বাদ্য যন্ত্ৰই লোক পৰিৱেশ্য কলাৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিছে। তাতোকৈ ডাঙৰ কথা হ'ল আধুনিক দৰ্শকে প্ৰকাশ কৰা অনীহা আৰু বিৰাগেও লোক পৰিৱেশ্য কলাবোৰক কোঙা কৰি তুলিছে।

অৱশ্যে লোক পৰিৱেশ্য কলাসমূহৰ ক্ষেত্ৰত অকল যে মৃত্যু ঘণ্টাহে বাজি আছে এনে নহয়, তাৰ লগতে সঞ্জীৱনীও আহিছে। সম্প্ৰতি বিভিন্ন আধুনিক মাধ্যমত এনে লোক পৰিৱেশ্য কলাৰ আংগিক বা আহাৰ্য প্ৰয়োগ কৰাৰ প্ৰৱণতা লক্ষ্য কৰা যায়। বিশেষকৈ অপেচাদাৰী নাট্যদলসমূহে পৰিৱেশন কৰা নাটসমূহত এনে কৌশৰ সঞ্চালনীকৈ প্ৰয়োগ কৰা হয়। ছয়গাঁও, পলাশবাৰী অঞ্চলত গঢ়ি উঠা সবল নাট্যগোষ্ঠীবোৰে ওজাপালি, ঢুলীয়াৰ কথাকৌশল সুন্দৰভাৱে খটুৱাই নাট অভিযোজনা কৰিছে। অসমৰ অন্যতম নাট্যগোষ্ঠী 'ছিগালে'ও লোক পৰিৱেশ্য কলাৰ সমল লৈ, বিশেষকৈ ওজাপালিৰ সমললৈ নাট অভিযোজনা কৰিছে। সংগীত শিল্পীসকলৰ ভিতৰৰে কোনো কোনোৱে লোক পৰিৱেশ্য কলাৰ সৈতে সংম্পৃক্ত গীতৰ আধাৰত নিজৰ গানৰ সুৰ কৰি জনপ্ৰিয়তা অৰ্জন কৰাৰ লগে লগে সিবোঁৰকো শ্ৰোতাৰ ওচৰলৈ লৈ গৈছে। বিভিন্ন দৃশ্য-শ্ৰব্য মাধ্যমেও দক্ষিণ কামৰূপৰ লোক পৰিৱেশ্য কলাৰ প্ৰতি আগ্ৰহ দেখুৱাই এইবোৰ পৰিৱেশনৰ সুযোগ দিছে।

**সামৰণি ঃ**

যদিও বিভিন্ন সা-সুবিধা উদ্ভৱ হৈছে তথাপি লোক পৰিৱেশ্য কলাসমূহৰ সংকট মোচন হৈছে বুলি ক'ব নোৱাৰি। সম্প্ৰতি বিশ্বায়নে নানান সুবিধা আগবঢ়ালেও লোক কৃষ্টিৰ প্ৰতি প্ৰৱল প্ৰত্যাহবানো আনিছে। অৰ্থনৈতিক আগ্ৰাসনৰ অচিলা লৈ বিশ্বায়নে তৃতীয় বিশ্বৰ দেশবোৰৰ সাংস্কৃতিক ভেটিকো মষিমূৰ কৰি জাতিটোকে হত্যা কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। বিশ্বায়নৰ পোহাৰ মেলি বহুজাতিক কোম্পানীবোৰে থলুৱা কৃষ্টি-সংস্কৃতিক বিকৃত কৰাত পূৰা মাত্ৰাই ইন্ধন যোগাই আহিছে। ইতিমধ্যে লোক সংস্কৃতিৰ ভালেমান উপাদানক এই বহুজাতিক কোম্পানীবোৰে বিকৃত কৰি কিম্ভুত-কিমাকাৰ ৰূপ দি বিজতৰীয়া পণ্যত পৰিণত কৰিছে। দক্ষিণ কামৰূপৰ লোক পৰিৱেশ্য কলাসমূহ যাতে এনে বলীশালত মূৰ সুমুৱাব লগা নহয় তাৰ বাবে সমাজৰ সাংস্কৃতিক অনুষ্ঠানসমূহে আগভাগ ল'ব লাগে। প্ৰযুক্তিয়ে অনা কৌশলৰ সহায়ত লোক পৰিৱেশ্য কলাসমূহক অবিকৃত ৰূপত ধৰি ৰখাৰ বাবে প্ৰকল্প কেতবোৰ গ্ৰহণ কৰা উচিত। সেইদৰে বিভিন্ন দিশৰ থলুৱা বিশেষজ্ঞ গোট খুৱাই দক্ষিণ কামৰূপৰ লোক পৰিৱেশ্য কলাসমূহৰ এখনি পূৰ্ণাংগ ইতিহাস প্ৰস্তুত কৰাৰ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন আহি পৰিছে। প্ৰশিক্ষণ আৰু চৰ্চাৰ বহল ক্ষেত্ৰ এখন প্ৰস্তুত কৰি নতুন প্ৰজন্মক ইয়াৰ প্ৰতি আকৰ্ষিত কৰিব পাৰিলে দ্বিতীয় স্তৰত কলাসমূহে পুনৰ জনজীৱনৰ জীৱনচৰ্যাত প্ৰৱেশ কৰিব পাৰি।

**প্ৰসঙ্গ সূত্ৰ ঃ**

১। I shall say that the societies that existed before the rises of cities were folk societies', and I shall say that the societies that are found today unaffected by the great civilisations 'are folk socities'. – Robert Redfield : The Primitive World, New York, 1962, P-XI.

২। Alan Dundes (ed). : The study of Folklore, Prentice Hall Inc, 1965, p. 2

৩। Felix Hoerburger : Once Again : On the concept of Folk Dance, GIFMC, 20 pp. 30-32

৪। নৃত্য-গীত গোৱা বিহু ঢুলীয়া দক্ষিণ কামৰূপত আছে যদিও ই আমদানীকৃত বুলি ভাবিবৰ অৱকাশ আছে।

৫। ১৯৯১ চনত খাটালপাৰা মাৰে পূজাৰ সময়ত ঢুলীয়া দলৰ পৰা সংগ্ৰহ কৰা।

৬। পৰশুৰাম ৰাভা (৬০), ১৯৯১, ডাকুৱাপাৰা, বকো।

৭। এনে লোক গীত-পদবোৰক গোৱালপাৰা কৃষ্ণাইৰ প্ৰাণেশ্বৰ ৰাভাই 'মায়ায়ন্তী বিষহৰি' নামেৰে গ্ৰন্থত সংকলিত কৰিছে।

৮। ওৱানগালাৰ উৎপত্তি সম্পৰ্কে এটি মিথ গাৰোসকলৰ মাজত প্ৰচলিত আছে। ইয়াত তাৰ উল্লেখ নিষ্প্ৰয়োজন।

প্ৰসঙ্গ গ্ৰন্থ ঃ


১। Robert Redfield : The Primitive World, New York, 1962

২। Alan Dundes (ed). : The study of Folklore, Prentice Hall Inc, 1965

৩। Felix Hoerburger : Once Again : On the concept of Folk Dance, GIFMC

৪। নবীনচন্দ্ৰ শৰ্মা ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, গুৱাহাটী, ২০১১

৫। নবীনচন্দ্ৰ শৰ্মা ঃ অসমৰ লোক পৰিৱেশ্য কলা, গুৱাহাটী


❁❁❁

সেই শিল্পই সঁচা শিল্প, য'ত জীৱন প্ৰতিফলিত। ইয়াত পোৱা যাব মানব জীৱনৰ দ্বন্দ-সংঘাত, সংগ্ৰাম-প্ৰেৰণা, জয়-পৰাজয়, মৰম-ভালপোৱা আৰু এজন মানুহৰ ব্যক্তিত্বৰ আটাইকেইটা দিশ। সেই শিল্পই সঁচা শিল্প, যি জীৱন সম্পৰ্কে মিছা ধাৰণা নিদিয়ে।

*— নাজিম হিকমত।*

# দক্ষিণ কামৰূপৰ লোকগীতত এভূমুকি

সৰ্বেশ্বৰ দাস
শিক্ষক, কুকুৰমাৰা

অসমৰ লোকসংগীতবোৰৰ দৰে দক্ষিণ কামৰূপৰ লোকসংগীতবোৰ বিভিন্ন উপকৰণেৰে সমৃদ্ধ। আমি সাধাৰণতে লোকগীত বুলিলে লোক কবিতা ৰাজিকে লোকগীত বুলি অভিহিত কৰোঁ যদিও সেয়া শুদ্ধ বুলি কোৱা টান।[১] কাৰণ এটা লোকগীত হ'ব লাগিলে তাত সুৰ-তাল-বাদ্যৰ সংযোজন ঘটাব লাগিব আৰু ইয়াৰ সাংগীতিক দিশটোৰ প্ৰতি গুৰুত্ব দিব লাগিব। অসমৰ লোক-সংগীতবোৰৰ দৰে দক্ষিণ কামৰূপৰ লোকগীতসমূহো মৌলিক পৰম্পৰাৰে প্ৰৱাহিত হৈ আহিছে। সেই বাবে সুনিৰ্দ্দিষ্ট স্বৰলিপি লিপিবদ্ধ অৱস্থাত পোৱা নাযায়। তদুপৰি অঞ্চলভেদে গীতৰ কথাসমূহৰো কিছু কিছু অমিল দেখা যায়। গীতসমূহ চহা লোক সকলৰ অন্তৰৰ পৰা নিগৰি ওলোৱা বিখ্যাত গীতি কবিতা। এই গীতবোৰৰ গীতিকাৰ কোনো নাম পোৱা নাযায়। গীতসমূহৰ বিষয় বস্তু তথা পৰিৱেশন কৰা অনুষংগ অনুসৰি পণ্ডিতসকলে লোকগীতসমূহক উৎসৱ অনুষ্ঠানমূলক গীত, আখ্যান গীত আৰু বিবিধ বিষয়ক গীত আদি ভাগত ভাগ কৰা দেখা যায়। তদুপৰি উৎসৱ অনুষ্ঠানমূলক গীত আৰু আখ্যানমূলক গীতৰ ভাগত অন্তৰ্ভুক্ত নোহোৱা গীতসমূহক বিবিধ বিষয়ৰ গীতত অন্তৰ্ভুক্ত কৰা দেখা যায়। বিবিধ বিষয়ৰ গীতসমূহৰ ভিতৰত নিচুকণি গীত, নাওখেলৰ গীত, বৰশীবোৱা গীত আদি উল্লেখযোগ্য গীত।[২] উল্লেখ্য যে এই গীতসমূহৰ বিষয়বস্তুৰ ওপৰত বিবেচনা কৰি পণ্ডিতসকলে এই বিভাগটোক পুনৰ সৰু সৰু ভাগত বিভাজিত কৰিছে। এই বিভাগবোৰ হ'ল শ্ৰমৰ সৈতে জড়িত গীত-যেনে- গৰখীয়া গীত, সূতাকটা গীত, নাওখেলা গীত, শিশুৰ সৈতে জড়িত গীত (নিচুকণি গীত) আদি। আজি আমাৰ চমু লোকগীতৰ অন্য ভাগবোৰৰ কথা বাদ দি শ্ৰমৰ সৈতে জড়িত সূতা-কটা গীত, গৰখীয়া গীত আৰু হালোৱা গীতৰ বিষয়ে চুমকৈ আলোচনা কৰিম।

সুতা কটা গীতঃ সূতাকটা গীত হ'ল মহিলাসকলে এৰী কাটোতে গোৱা গীত। এই গীত মহিলাসকলৰ সম্পূৰ্ণ নিজা। দক্ষিণ কামৰূপৰ মহিলাসকল অতীতৰে পৰা শিপিনী হিচাপে পাৰদৰ্শী। দক্ষিণ কামৰূপৰ মহিলাসকলে এৰী পলুৰ সঁচ আনি এৰাগছৰ পাত খুৱাই পলু পুহি সেই পলুৰ পৰা হোৱা এৰীৰ সূতা কাটি কাপোৰ উৎপাদন কৰি অৰ্থনৈতিকভাৱে সকাহ পায়। দিনত ঘৰত আন কাম কৰি ৰাতি জীয়ৰী-বোৱাৰীসকলে চাকিৰ পোহৰত জাক পাতি সূতা কাটে। সূতা কাটোঁতে দলবদ্ধভাৱে গীত গায়। গীতবোৰ সঁচাকৈয়ে শুনিবলৈ বৰ সুমধুৰ। অজিও গীতবোৰ অলিখিত ৰূপতে আছে। গীতবোৰৰ মাজেৰে চহাজীৱনৰ সুন্দৰ প্ৰতিচ্ছবি ফুটি ওলায়-

ছয়গাঁও হাটৰ ছয়ডাল জৰী
হৰিহে মোৰ বল খেলাই ল'ৰা লৰি।
গুৱাহাটীৰ ভুটিয়া বেজী
হৰিহে মোৰ চিলাই কামত আইয়া কাজি।
জালুকবাৰীৰ কেঁচা খৰি
হৰিহে মোৰ ভাত ৰান্ধিম কেনাই কৰি।
ভাত ৰান্ধি কল্লু চেঁচা
সূতা কাটিম আৰে লেচা।

দল বান্ধি সূতা কটা বোৱাৰীসকলে নাই বা খুৰীমাকসকলে, জীয়ৰীসকল বিবাহৰ পিছত এখন ঘৰৰ পৰা আন এখন ঘৰলৈ গৈ ভৱিষ্যতে এটা পৰিৱেশৰ পৰা আন এটা পৰিৱেশলৈ গৈ কেনেকৈ খাপ খুৱাই চলিব লাগে বা কেনেকৈ চলিলে সংসাৰখন মধুময় হৈ সুখে শান্তিৰে জীৱন অতিবাহিত কৰিব লাগে তাৰ বাবে সুতাকটা গীতৰ মাজেৰে উপদেশ দি যায়।

এ বালাৰে লগৰী এ
আগতে খাছিলি মেৰে মাৰা মাছ
এতিয়া খাবা লাগ্‌বো
শাহাৰেৰ মাত।

তোৰ শালৰ তলত শিৰকাটা সিজু
যাইকি শাহাৰেক নামাৰিব ৰিজু।
তোৰ শালৰ কাষত আদেৰী বুন
কবাৰ এটা বৰে তোৰ নিলা গুণ।
বালাৰ লগৰী এ।

সূতা কাটোঁতে বিবাহৰ গীতবোৰ ৰোমন্থন হয়। তদুপৰি সূতা কাটি থাকোঁতে ৰাতি কেনেকৈ কাটিব লাগে, সেই কথাটো গীতৰ মাজৰে প্ৰাঞ্জলভাৱে প্ৰকাশ পায়-

অ বালা খটি দীঘল দীঘল পঘাৰে শাৰী
অ বালা হাতবাৰীৰ জোখালৈ জুখে আই বাতি
অ বালা হাতেৰে টিপতে উজুনে সূতা
অ বালা ৰাহখনি বিন্ধাই আইয়ে
বোৱাককে সুধি।
অ বালা থোকা ভাঙে মনতে ভাবি।
অ বালা চাৰি ৰাতি বোৱা অয়াই হে তুলে
আয়াৰ শালৰে মাকু আপুনি চলে।

অতীজতে দক্ষিণ কামৰূপৰ জীয়ৰীয়ে সূতা কাটিব জানিবই লাগিব। নাজানিলে শাহুয়েকে গীতৰ মাজেৰে ঠাট্টা মস্কৰা কৰে এনেদৰে-

সূতা কাটবা জানা আই তই
সূতা নহয় সৰি
কাৰাটো ভৰে মচি
গৰুবান্ধা জৰী
আই তই সত্যযুগৰ বুঢ়ী।

এনেৰে গীত গাই গাই মনৰ অৱসাদ দূৰ কৰে।

হালোৱা গীত ঃ দৰং জিলাৰ নাঙেলী গীতবোৰৰ দৰে দক্ষিণ কামৰূপ অঞ্চলতো কৰ্ম বিষয়ক কিছুমান গীত আছে। তাৰ ভিতৰত হালোৱা গীত অন্যতম। হালোৱা গীত কৃষকসকলে খেতি পথাৰত হালবাই থাকোতে গায়। গীতবোৰৰ ভিৰতৰত কিছুমান অশ্লীল গীতো পোৱা যায়। খেতিপথাৰত কাম কৰি কৰি অৱসাদ আহিলে হালুৱৈজনে গীত গাই মনৰ অৱসাদ দুৰ কৰে আৰু কাম কৰাৰ কাৰণে নতুনকৈ প্ৰেৰণা পায়- সেয়েহে তেওঁলোকে গায় -

নাঙল যোঙলীও
মই জৰী মই যাৰ মাটি
হালবাবা বৰ জুতি ও,
আৰু শয়াল চাইটাই কয় বুলে
আমি চাৰি ভাই
আমি ন'হলে তথেৰ
গৰু ওলাই যায়।
জুত দুইখৰে কয় বুলে
আমি দুই ভাই
আমি ন'হলে তথেৰ
গৰু উদং হয়।
আঙতখৰে কয় বুলে
মই একলা ভাই
মই নহলে তথেৰ
দিলা ধৰংতা নাই
দিলাটোৱে কয় বুলে
মই অকালা ভাই
মই নহলে তথেৰ
নাঙাল ধৰংতা নাই।
ফালটোৱে কয় বুলে মই আকালা ভাই
মই নহলে তথেৰ মাটি ফালাংতা নাই।
লৰু ডালে কয় বুলে মই আকালা ভাই
মই নহলে তথেৰ গৰু খেদাংতা নাই।
মানুহটোৱে কয় বুলে মই আকালা ভাই
মই নহলে তথেৰ গৰু আগুৱাংতা নাই।
নাঙল যোঙলিও মই জৰি মই যাৰ মাটি
হালবাবা বৰো জুতি অ'।

কেতিয়াবা কেতিয়াবা কোনো অৰ্থ নোহোৱা যেন লগা গীতো গায় যদিও গীতসমূহৰ মাজত একোটা ধাৰাবাহিকতা থকা কাহিনী প্ৰস্ফুটিত হয়। যেনে হালুৱৈজনে নিজৰ তিৰোতাজনীৰ লগত কথা কটাকটি কৰিও আনন্দ পায়। সেইটো হালুৱা গীতত সুন্দৰ ভাৱে প্ৰকাশ পায়-

ভাত ৰান্ধি থবি তই
হালবাবা যাম মই
হা মোৰ তাৰণী ঐ
ভাত ৰান্দি নথাং মই
বাগাৰ দি থাকিম মই
হা মোৰ তাৰণী ঐ
বাগাৰ দি থাকিবি তই

হাউলা লৰু চিঙিম মই
হা মোৰ তাৰণী ঐ
হাউলা লৰু চিন্‌বি মই
নদীত পৰি মৰিম মই
হা মোৰ তাৰণী ঐ
নদীত পৰি মৰিবি তই
বৰজালখান পেলাম মই
হা মোৰ তাৰণী ঐ
বৰজেলখান পেলাবি তই
জনে শামুক হ্‌ম মই
হা মোৰ তাৰণী ঐ
জনে শামুক হোৱা তই
চূণ পৰি খাম মই
হা মোৰ তাৰণী ঐ
চূণ পুৰি খাবি তই
গালে মুখে দাকিম মই
হা মোৰ তাৰণী ঐ
গালে মুখে দাকা তই
বেহাৰৰ তেল জাৰি দিম মই
হা মোৰ তাৰণী ঐ

এনেদৰে গীত গাই গাই হালবাই বিমল আনন্দ লাভ কৰে। এই গীতবোৰ আজিও অলিখিত তথা কথিত ভাষাতে ৰৈ গ'ল।

গৰখীয়া গীত ঃ গৰখীয়া শব্দৰ আভিধানিক অৰ্থ হ'ল গৰু চৰাই ফুৰা মানুহ ( গো + ৰখীয়া = গৰখীয়া) অসমৰ মানুহৰ প্ৰধান জীৱিকা হ'ল কৃষি। কৃষি কৰিবৰ কাৰণে গৰু অপৰিহাৰ্য। গৰু, মহ নহ'লে কৃষি কাৰ্য সম্পাদন কৰাত যথেষ্ট অসুবিধা হয়। গৰু, মহ চৰাই ফুৰা এই গৰখীয়াসকলক লৈ অনেক বিশ্বাসৰ সৃষ্টি হৈছে। এই বিশ্বাসবোৰৰ সত্যতা থাকক বা নাথাকক বিশ্বাসবোৰ আজিও বিদ্যামান। গৰখীয়াসকলক লৈ বহুতো বিশ্বাস, জনশ্ৰুতি , কিংবদন্তি আজিও লোকসমাজত প্ৰচলিত যদিও আজি আমি এই বিষয়বোৰ বাদ দি গৰখীয়াসকলৰ মাজত প্ৰচলিত গীতসমূহৰ বিষয়েহে চমুকৈ আলোকপাত কৰিব বিচাৰিছোঁ। গৰখীয়াসকলে ৰদে-বতাহে- বৰষুণে পথাৰত গৰু চৰাওতে এই গীতবোৰ পৰিবেশন কৰি মনৰ দুখ বেদনা, ভাৱ -অনুভূতি, আনন্দ প্ৰকাশ কৰে। এই গীতবোৰৰ মাজেৰে সমাজ ব্যৱস্থাৰ উমান পাব পাৰি। গৰখীয়া গীতবোৰ কোনে কেতিয়া সৃষ্টি কৰিছে সেইবোৰ জনা নাযায়। গীতবোৰৰ মাজেৰে বন্ধু-বান্ধৱৰ মাজত সমন্বয়ৰ সোণালী সাঁকো গঢ়ি উঠে। গৰখীয়া সকলৰ কোনো এজনে যেতিয়া গৰু লৈ আগবাঢ়ি যায় তেতিয়া পলমকৈ যোৱাজনে আগতিয়াকৈ যোৱাজনক উদ্দেশ্য কৰি গায়-

ও মই যাব লাগচুং ৰহ
তেতেলিৰ তলতে লেপ্তা কাৰি বহ।

তাৰ পিছত গৰখীয়াসকলে এঠাইত গৰুবোৰ লগ কৰি চৰণীয়া পথাৰলৈ খেদি দিয়ে। গৰুবোৰ খেদি নিওঁতে গায়-

ও —— লেটি পেটি —– হো হৈ
ও ——— বাবাৰ লেটি —– হো হৈ
ও —— হু বৈ বাবা —— হো হৈ
ও —— ডিঙি খাৰা —— হো হৈ
ও —— ডিঙিৰ নাই গলধন — হো হৈ
ও — ও — গৰ খেদা টান টান — হো হৈ
ও— ও— গৰু যা থান থান —– হো হৈ।

আকৌ কোনোবা অঞ্চলত গৰু পথাৰলৈ নিওঁতে নিম্ন লিখিত ধৰণে গায়—

হেলেই লই হেলুৱা — দুয়োকাণে দলুৱা
কি দল পানীমল কি পানী ? অথাওনি
কি অথাও মাথাও — দেউ মথনৰ মাদে ফাটা
বাট বুলি যায় জগুৱা বেটা
হেৰ জগু মোকো নি সোণাৰু লৰু আনি দি
সোণাৰ লৰুই কি কাম কৰে ? বাঁহৰ লৰুই গৰু চাৰে।
গৰু চাৰিলি কি পায় ? টকা কড়ি সবে পায়।
সেই সবেদি কি কাম কৰে? ভেকুলী বামুণক দান কৰে।
ভেকুলি ঐ টৰৌ টৰৌ - মোৰ গৰুহাল বাটা উৰৌ।
প্ৰাণ যায় ফুটি- লাগিল এগাৰা গুটি।

এনেদৰে গৰুবিলাক পথাৰত নি চৰিবলৈ এৰি দিয়ে। গৰখীয়াবোৰে পথাৰত গৰু চৰাই থাকোঁতে ভোক লাগে। তেওঁলোকে ভোকৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে লগত টোপোলা বান্ধি মাহ-কৰৈ নিয়াটো এক প্ৰকাৰৰ নিয়মৰ নিচিনা আছিল। সেয়েহে তেওঁলোকে মাহ-কৰৈ খোৱাৰ সময়ত গায়-

বাটে বাটে যাওঁ
মাহকাৰে খাওঁ
আমাৰ লগত যিয়ে আহে

তাকো এগাল দ্যাওঁ (দিওঁ)

অসমৰ জনগাঁঠনি তথা অসমীয়া সাহিত্য সংস্কৃতিৰ সকলো ফালৰ পৰা অৰিহণা যোগাই অহা ৰাভাসকলৰ মাজতো গৰখীয়া গীত বিদ্যমান। এই গৰখীয়া গীতবোৰ অসমীয়া লোক-সাহিত্যৰ অমূল্য সম্পদ। গীতবোৰ অসমীয়া লোক সাহিত্যৰ ভঁৰাল টনকিয়াল কৰাই নহয়, গীতবোৰে তেওঁলোকৰ সমাজ ব্যৱস্থাৰ উমান দিয়ে। তেওঁলোকে গীতবোৰ গাওঁতে বাদ্যযন্ত্ৰ হিচাপে এক বিশেষ ধৰণৰ বাঁহী ব্যৱহাৰ কৰে। এই বাঁহীটোক লাখৰ বাঁহী বোলে। গৰখীয়াসকলে গোৰা গীতবোৰক বাংগীত বোলে। কেতিয়াবাৰ কেতিয়াবা গৰখীয়াসকলে গীতসমূহ পদ আকাৰে গায়। পদতিয়ে পদটো দিয়ে আৰু বাকীবোৰে 'হুই .. হুই' বুলি ধৰি যায়।

পদঃ

কাহি ঐ কুঁৱা ঐ
হুই ... হুই.... হুই .... হুই
কাঁহি নুফুলা কিয়া ঐ
মইতো ফুলুঙে .....।
গৰুৱে আগ খাই কিয়া ঐ
মইতো নাখাঙে ।

............................

বেংঐ বেংঐ
টোৰ টোৰোৱা কিয়াঐ
মইতো নোটোৰ টোৰাঙে
বুঢ়াৰ দিনৰ কথা
নটোৰ টোৰাম কিয়া ঐ
হুই ........... হুই ..... হুই।

এনেদৰে গৰুবোৰ খেদি দিয়ে। গোটেই দিনটো গৰু চাৰি বেলি মাৰ যোৱাৰ আগে আগে গৰুবোৰ ঘৰলৈ খেদি আনোতে গৰখীয়াসকলে গায়-

ওহে হৈছো ——– হো হৈ
ওহে হালুৱা —— হো হৈ
ও দুয়ো কাণে ——— হো হৈ
ও দুলুঙা ——— হো হৈ।
ও মাটিত পৰিল ——— হো হৈ।
ও কুঁজি আবুৰ ——— হো হৈ।
ও কুজটো লৰিল ——— হো হৈ।
ও কুজত দিলা ভৰি ——— হো হৈ।
ও কুজ যায় লৰি ——— হো হৈ।
ও বেলি যায় পৰি ——— হো হৈ।
ও আমি যাও ঘৰে ——— হো হৈ।

কিছুমান গৰখীয়া গীতত অশ্লীল ভাষা বিদ্যমান। বোধহয় পথাৰত তেওঁলোকৰ মাজতে পৰিৱেশন কৰে কাৰণে অশ্লীলতা দেখা যায়। যেনে -

আতা গেছি খেৰকাটিবা
আবু উঠছি ছালত
ঘৰ চিৰিকাই বাঁহ লয়
আবুৰ ———————— (অশ্লীল)।

এনেদৰে আনন্দ স্ফুৰ্তি কৰি, গীত গাই গৰুবোৰ ঘৰলৈ লৈ আহে।

এই গৰখীয়া গীতবোৰ লোক-সাহিত্যৰ অমূল্য সম্পদ। এইগীতবোৰ আজিও চহা সমাজত মুখে মুখে চলি আহিছে। ভিন ভিন ভিন অঞ্চলত ভিন ভিন পৰিৱেশত অসমৰ বিভিন্ন জনগোষ্ঠীয়ে নানা ঘাত-প্ৰতিঘাতৰ মাজত জীৱন-যাপন কৰি তেওঁলোকৰ উপলব্ধি তথা অভিজ্ঞতাৰে আধুনিক কোনো বাদ্যযন্ত্ৰ নোহোৱাকৈ এই গীতবোৰ পৰিৱেশন কৰি আহিছে যদিও বৰ্তমান সমাজ পৰিৱৰ্তনৰ কাৰণেই হওক অথবা মানুহৰ জীৱন-যাপন প্ৰণালীৰ কাৰণেই হওঁক অপুৰুগীয়া এই লোকগীতবোৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেয়ে সময় থাকোঁতে প্ৰণালীবদ্ধভাৱে এই গীতবোৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। নহ'লে এই গীতবোৰ হেৰাই যাব।

সহায়ক গ্ৰন্থ সমূহ ঃ

১। স্নাতক তৃতীয় বৰ্ষ (কলা) ঐচ্ছিক অসমীয়া, খণ্ড-২, অসমীয় সংস্কৃতি - কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, পৃষ্ঠা - ১৪৯

২। প্ৰাগুক্ত গ্ৰন্থ পৃষ্ঠা - ১৫১।

৩। স্মৃতিগন্থ, কুকুৰমাৰা আঞ্চলিক ক্ৰীড়া আৰু সংস্কৃতিক সন্থা, পৃ. ১৮,১৯,২০।

৪। সংবাদতাতা দক্ষিণ কামৰূপৰ লোক সংস্কৃতিৰ একাঁজলি - সৰ্বেশ্বৰ দাস, পৃ. ৬,৭,৮,৯,১১।

৫। নলিনী দাস, বিমলা দাস, সুনতী দাস, নগেন গাঁওবুঢ়া।

# বিদ্যা আৰু বিদ্যাদান প্ৰসঙ্গ

ড০ গজেন্দ্ৰ অধিকাৰী
অধ্যক্ষ,
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

১.১ মূল সংস্কৃত 'ৱিদ'ৰপৰা বিদ্যা শব্দটো উৎপন্ন হৈছে। 'হেমকোষ'ৰ মতে বিদ্যা মানে হ'ল 'শিকি অৰ্জন কৰা জ্ঞান' অভ্যাসৰপৰা হোৱা বোধ, Learning Knowledge, কৌশল, an art, যাৰ দ্বাৰা ধৰ্মাধৰ্ম জনা যায়, দৰ্শন, শাস্ত্ৰ, তত্বজ্ঞান, মন্ত্ৰ, ৪ বেদ, ৬ বেদাঙ্গ, পুৰাণ, মীমাংসা, ন্যায়, ধৰ্মশাস্ত্ৰ, আয়ুৰ্বেদ, ধনুৰ্বেদ, গন্ধৰ্ববেদ, অৰ্থশাস্ত্ৰ এই অষ্টাদশ, ...... Science and literature" (হেমকোষ, 7th Edition, 1989 পৃ. 714)। তেনেদৰে আন এখন অভিধানত বিদ্যাৰ ব্যাখ্যা দিয়া হৈছে এনেদৰে- বিদ্যা (স্ত্ৰীলিংগ, বিদ + ক্যপ + টাপ)। জ্ঞান,তত্ব সাক্ষাৎকাৰ, দুৰ্গা তন্ত্ৰোক্ত দেৱীমন্ত্ৰ) Knowledge, Spiritual Knowledge, the Goddess Durga ( A Trilingual Dictionary, Calcutta Sanskrit College Research Series XLVII, 1966, p. 350) । মুণ্ডক উপনিষদৰ মতে বিদ্যা হ'ল সাক্ষাৎ ঈশ্বৰ। যৰ্জুবেদে বিদ্যাৰ পৰা আৰু অপৰা নামে দুভাগত ভগাইছে। বিদ্যাই মানুহক অমৰত্বৰ পথ দেখুৱায়, আনহাতে অবিদ্যা হ'ল মৃত্যু বা সৰ্বনাশৰ মূল।

"বিদ্যাত্বাবিদ্যাত্ব যস্তদ্বেদ্যোৎ ভয়ং সহ ।
অবিদ্যায়া মৃত্যুং তীৰ্ত্বা
বিদ্যায়াৎ মৃতম শ্ৰুতে।"

কেনোপনিষদত কোৱা হৈছে -"বিদ্যায়া বিন্দতেৎমৃতম'। অৰ্থাৎ- বিদ্যাৰদ্বাৰা মানুহে অমৰত্ব লাভ কৰিব পাৰে।

১.২ ভাৰতীয় সমাজ জীৱনত বিদ্যাৰ সঘন উল্লেখ পোৱা যায়। কোনো কথা বিশ্বাসযোগ্য কৰিবৰ বাবে 'বিদ্যা শপত' খোৱাৰ অভ্যাসো অতিকে চিনাকি। এই বিদ্যাৰপৰাই বিদ্বান, বিদুষী, বিদ্যাধৰ-বিদ্যাধৰী, বিদ্যালয়, বিশ্ববিদ্যালয় আদি শব্দবোৰ উদ্ভুত হৈছে।

১.৩ প্ৰাচীন ভাৰতীয় সাহিত্যসমূহত বিদ্যাৰ বিষয়ে বহল আলোচনা কৰা হৈছে। আনকি বাৎসায়নৰ কামসূত্ৰৰ টীকাকাৰসকলেও কৈছে যে প্ৰধান অৰ্থ হ'ল বিদ্যা। বিদ্যা এইবাবেই অৰ্থ পৰিচালনাৰো মূল সূত্ৰ, কিন্তু মনত ৰাখিব লাগিব যে বিদ্যাৰ্জনৰ সময়ত ব্ৰহ্মচৰ্য অৱশ্যেই পালনীয়। কামবৰ্গই ব্ৰহ্মচৰ্য ধ্বংস কৰে বাবে ই বিদ্যাৰ বিৰোধী। (বাৎসায়নৰ কামসূত্ৰ , সংস্কৃত পুস্তক ভাণ্ডাৰ, কলিকতা, ১৯৩৮ চন, পৃ.- ৩৬) ।

যাজ্ঞবল্ক্য সংহিতাতো চতুৰ্দশবিধ ধৰ্ম বিদ্যাৰ উল্লেখ আছে।

(পুৰাণ ন্যায়, মীমাংসা ধৰ্ম শাস্ত্ৰংগ মিশ্ৰিতাঃ বেদাং স্থানানি বিদ্যানাং ধৰ্মস্য চ চতুৰ্দশ)

আকৌ কোৱা হৈছে যে জ্ঞানবিলোপ বাঞ্ছনীয় নহ'লে অধ্যয়নৰ আৱশ্যক । কাৰণ অধ্যয়নৰপৰাহে বিদ্যা বৰ্ধন কৰিব পাৰি।

১.৪ এনে অৰ্থত বিদ্যাই দৈনন্দিন জীৱনযাত্ৰাৰ লগত জড়িত কলা, দৰ্শন, বিজ্ঞান, বিশ্বাস আদি সকলো দিশৰ জ্ঞান-কৌশল আৰু উদ্দেশ্যক সামৰি লয়।

১.৫ বিদ্বানসকল সকলো ঠাইতে, সকলো সময়তে আৰু সকলো লোকৰদ্বাৰাই বন্দিত হৈ আহিছে। অসমীয়া জাতীয় জীৱনৰ পৰমগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনীকাৰ পৰমবৈষ্ণৱ ভুষণ দ্বিজৰ বৰ্ণনা মতে বুঢ়ীমাক খেৰসুতিয়ে বাৰ বছৰীয়া শঙ্কৰক বিদ্যা শিক্ষাৰ বুজনি দিওঁতে কৈছে যে-

'ৰূপ যৌৱন কুলৱন্ত যে যদি হয়।
বিদ্যাহীন হৈলে বাপ কিছু নোশোভয়।।৪০
আন ধন ধান্যৰ ভাতৃয়ে বণ্টা লয়।
বিদ্যাৰত্ন মহাধন নিবে নাপাৰয়।।
দানে ক্ষয় নাযায় চোৰে নাপাৰে নিবাক।
স্বদেশতে পূজে মাত্ৰ মহন্ত ৰাজাক।।৪১
বিদ্যাৱন্ত পুৰুষক পূজে সৰ্ব ঠাই।
বিদ্যাসে ভুষণ বাপ অধিকে শুহাই।।"
- শ্ৰীশ্ৰীশঙ্কৰদেৱ, পৃঃ ৯-১০

তেনেদৰে অসমীয়া সাহিত্যৰ বেকনৰূপে খ্যাত সত্যনাথ বৰাদেৱেও 'সাৰথি' নামৰ গ্ৰন্থত কৈছে যে পুথিৰ জ্ঞান থুপাই থোৱা ধানৰ নিচিনা। পুৰুষে পুৰুষে আৰ্জিত আৰু সঞ্চিত বিদ্যাৰূপ ধন আমি মাত্ৰ পুথি অধ্যয়নৰ পৰাই পাব পাৰোঁ।

২.১(ক) বেদেই হ'ল ভাৰতীয় সকলো শাস্ত্ৰৰ মূল। অথৰ্ব

বেদত পুৰাণসমূহক পঞ্চম বেদ বুলি কোৱা হৈছে (ইতিহাস পুৰাণং পঞ্চমং বেদানাং বেদম)।

(খ) ইতিমধ্যে পণ্ডিতসকলৰদ্বাৰা স্বীকৃত ওঠৰখন মহাপুৰাণৰ অন্তৰ্গত নহ'লেও 'শব্দ কল্পদ্রুম' প্ৰভৃতি গ্ৰন্থমতে কালিকা পুৰাণৰ দৰেই দেৱী পুৰাণো এখন অতিশয় গুৰুত্বপূৰ্ণ উপ-পুৰাণ। এইখন উপ-পুৰাণৰ ৰচনাকাল পঞ্চম শতাব্দী বুলি ধৰি লোৱা হৈছে। ১২৮ টা অধ্যায়েৰে সম্পূৰ্ণ এইখন উপ-পুৰাণত মুখ্যতঃ 'ঘোৰ' নামৰ অসুৰ এজনৰ সৈতে দেৱীৰ যুদ্ধ আৰু পৰিণামত এহাতে ঘোৰাসুৰৰ মৃত্যু আৰু অধৰ্মৰ পৰাজয় আৰু আনহাতে দেৱী শক্তিৰ বিজয় আৰু ধৰ্মৰ পুনঃ প্ৰতিষ্ঠাৰ কাহিনী বৰ্ণনা কৰা হৈছে।

২.২ দেৱী পুৰাণৰ ৯১তম অধ্যায়ত কেৱল বিদ্যাদানৰ বিষয়ে আলোচনা কৰা হৈছে। এইমতে দেৱীক বিদ্যাৰ অধিষ্ঠাত্ৰী বুলি স্বীকাৰ কৰি লৈ কোৱা হৈছে যে -

(১) যি ব্যক্তিয়ে নিতৌ দেৱীগৃহত বিদ্যাদান কৰে, তেওঁ সৰ্বলোকত পূজ্য আৰু পূজাৰ ফল ভোগ কৰে।

(২) বিদ্যাৰদ্বাৰা মানুহৰ ব্যৱহাৰ আৰু ধৰ্ম-অধৰ্মৰ জ্ঞান হয়। সেয়ে দৃষ্ট-অদৃষ্টৰ ফল পিয়াসী সকলো লোকেই বিদ্যাদান কৰা উচিত। পৰা, অপৰা আৰু পৰাপৰা- এই তিনিবিধ বিদ্যাৰ অন্তৰ্গত সিদ্ধান্ত শাস্ত্ৰ, মোক্ষ শাস্ত্ৰ, স্বৰ্গাদি সাধক বেদ,বেদাংগ আৰু ইতিহাস অধ্যয়নৰপৰা ধৰ্ম বৃদ্ধি হয়, আনহাতে দেৱীৰপৰা শুভাশীষ লাভ কৰিবলৈ হ'লে গৰুড় শাস্ত্ৰ, ভূততন্ত্ৰ আৰু ভৈৰৱতন্ত্ৰ পাঠ আৰু দান কৰিব লাগে। তেনেদৰে গন্ধৰ্ব বিদ্যাত পাৰ্গত হৈ গন্ধৰ্ব পদ প্ৰাপ্তিৰ হেতু, জ্যোতিষ, বৈদ্যশাস্ত্ৰ, কলাগ্ৰন্থ, কাব্য আৰু উত্তম আগম শাস্ত্ৰদান কৰিব লাগে।

(৩) বিদ্যাদানৰ মহত্ত্ব বুজাবলৈ দেৱীপুৰাণৰ লিখকে কৈছে যে ভূমিদান, গোদান, সুৱৰ্ণদান, বস্ত্ৰদান, তিলদান, জলদান, ধ্যানদান, দীপদান আৰু অন্নদান- এইবোৰ মহাদান হয় ঠিকেই, কিন্তু এইবোৰ বস্তু দান কৰাৰ লগে লগেই নিজৰ ভঁৰাল হ্ৰাস পায়। অথচ বিদ্যা যিমানেই দান কৰা হয়, সিমানেই ই বৃদ্ধিপ্ৰাপ্তহে হয়। বিদ্যাদানৰ বাবে এটা মাত্ৰ বৰ্ণ উচ্চাৰণ কৰিলেই ভূমিদানৰ ফল লাভ কৰিব পাৰি। বিদ্যাদান এনেকুৱা পৰম দান যে ই 'ন-ভূত ন-ভৱিষ্যতি।' বিদ্যাৰ বলতেই যিহেতু সৰ্বশ্ৰেষ্ঠ পদ লাভ হয়, সেয়ে বিদ্যাদানৰ তুলনা নাই। বিদ্যাজনিত বিবেক জ্ঞানৰ বলত শুভাশুভ বিচাৰক ব্যক্তিবৰ্গ সৰ্ব অভীষ্টপ্ৰাপ্ত হয়। অতি দুষ্ট, অনিষ্টকাৰী শক্তিও বিদ্যাৰ আগত নতশিৰ হ'বলৈ বাধ্য।

(৪) কৰ্মফল বিশ্বাসী দেৱী পুৰাণৰ লেখকে সেয়েহে মন্তব্য কৰিছে যে ইহজনমত একগুণ বিদ্যাদান কৰিলে পৰমজনমত দহগুণ, শ গুণ কোটি কোটি গুণ বিদ্বান হ'ব পাৰি।

(৫) ভূষণ দ্বিজে কোৱাৰ দৰেই দেৱী পুৰাণতো কোৱা হৈছে যে ৰজা, চোৰ, জ্ঞাতি-কুটুম্ব, বানপানী বা অগ্নিকাণ্ডকে ধৰি নানা প্ৰাকৃতিক দুৰ্যোগ বা সৰীসৃপ আদি জন্তুৱে আন আন বস্তু অধিকাৰ কৰিব পাৰে বা ধ্বংস কৰিব পাৰে; কিন্তু বিদ্যা বিদ্বানীৰ বাহিৰে আনে ভোগ দখল কৰিব নোৱাৰে। তেনেদৰে সৰ্ব ধ্বংসকাৰী হলাহলে হাতী -ঘোঁৰাবপৰা আৰম্ভ কৰি কৃমি-কীটলৈকে সকলোৰে মৃত্যু ঘটায়, কিন্তু তেনে হলাহলো মানুহে বিদ্যাৰ বলেৰে হজম কৰিব পাৰে।

(৬) তদুপৰি অসৎ কুলোৎপন্ন, অন্ত্যজ, কুৰূপ বা পৌৰুষত্বহীন বুলিও বিদ্যাই কাকো ঘৃণা নকৰে। যিয়েই বিদ্যা চৰ্চা কৰে, বিদ্যাই তেওঁৰেই উপকাৰ সাধন কৰে।

বৰ্ণাশ্ৰম ধৰ্মৰ মাজত লালিত -পালিত তৎকালীন ভাৰতীয় সমাজৰ বৃদ্ধসকলৰ মাজত যি বিদ্বান, তেঁৱেই পূজনীয়। শূদ্ৰসকলৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হয় বয়সৰ ওপৰত, বৈশ্যই ধনৱানজনক মানি চলে, ক্ষত্ৰিয়সকলে আটাইতকৈ বলৱানজনক, কিন্তু ব্ৰাহ্মণসকলে বিদ্যাত পাৰ্গতজনৰ প্ৰভুত্বহে স্বীকাৰ কৰে। সেয়েহে লোক-সমাজত ধন, বন্ধু, বয়স তপস্য আৰু বিদ্যাৰ প্ৰশংসা কৰা হয় যদিও সকলোৰে ভিতৰত বিদ্যাই হ'ল আটাইৰে প্ৰশংসাৰ বস্তু।

(৭) এনে পৰম সম্পদ বিদ্যা লাভৰ বাবে মাথোন তিনিটা উপায়হে দেৱী পুৰাণে নিৰ্দ্দিষ্ট কৰি দিছে- (ক) গুৰুজনৰ সেৱা, (খ) বিদ্যাৰ্জনৰ বাবে প্ৰভূত ধন ব্যয় আৰু (গ) বিদ্যাবত্তা অৰ্থাৎ বিদ্যাৰ প্ৰতি তীব্ৰ ধাউতি। বিদ্যা আৰু জ্ঞান ইটো-সিটোৰ পৰিপূৰক। গীতাত কোৱা হৈছে -

"জ্ঞানং তেৎহং সবিজ্ঞান মিদং বক্ষাভ্য শেষতঃ।
য়ংজ্ঞাতা নেহ ভূয়োৎন্যং জ্ঞাতব্য ভব শিষ্যতে।"

অৰ্থাৎ - যাক জনাৰ পিছত আৰু জানিবলৈ একো বাকী নাথাকে তাকেই জ্ঞান বোলে। এনে অনুভাৰত্মক জ্ঞানেই হ'ল বিজ্ঞান। এনে জ্ঞান গুৰুজনাৰ আশীৰ্বাদ আৰু স্নেহৰদ্বাৰাহে হ'ব পাৰে। মনুসংহিতাতো কোৱা হৈছে -

'যথা খনন্ খনিত্ৰেপ নৰো বাৰ্য্যধিগচ্ছতি
তথা গুৰু গতা বিদ্যা শুশ্ৰুষাং মধি গচ্ছতি।"

ইয়াৰ অৰ্থ - ভুগৰ্ভৰ গভীৰলৈ গাঁত খান্দি যেনেদৰে পানী উলিওৱা হয়, তেনেদৰে পৰিশ্ৰম আৰু অধ্যাৱসায়পূৰ্বক